সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৯ বছৰৰ এক অবিৰত যাত্ৰা...

Govt. of Assam Approved

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

৩০ বছৰ, ৩৩ সংখ্যা, ১ভাদ , ৰবিবাৰ,  ১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং - ৫৩৮৮৩ /১৯৯৪

RNI No. 53883/94. GHY--781025. Vol. 30: Issue No. 33  Date Of Publication -18 August 2024  Rs.10.00/-

## চিকিৎসকৰ দেশজুৰি কৰ্মবিৰতিত দেশত স্তব্ধ স্বাস্থ্যসেৱা




ৰঙিলী বাৰ্ত্তাসেৱা- দেশজুৰি অব্যাহত আছে পশ্চিমবংগৰ কলকাতাস্থিত আৰ জি কৰ মেডিকেল কলেজত কৰ্মৰত অৱস্থাত তৰুণী চিকিৎসক এগৰাকীৰ ধৰ্ষণ আৰু হত্যাৰ ন্যায় বিচাৰি প্ৰতিবাদ। পশ্চিমবংগৰ কলকাতাস্থিত আৰ জি কৰ মেডিকেল কলেজত কৰ্মৰত অৱস্থাত তৰুণী চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ ন্যায় বিচাৰি ৰাজপথলৈ ওলাই আহিছে দেশৰ প্ৰান্তে প্ৰান্তে চিকিৎসক- শিক্ষাৰ্থী। ইণ্ডিয়ান মেডিকেল এছ'চিয়েচন, চমুকৈ আইএমএয়ে দেশজোৰা কৰ্মবিৰতি পালন কৰাৰ পৰিপ্ৰেক্ষিতত সমগ্ৰ দেশতে চিকিৎসা সেৱাত ব্যাঘাত জন্মিছে। জৰুৰীকালীন সেৱাৰ বাহিৰে চিকিৎসালয়সমূহত আন সেৱাত চিকিৎসকসকলে কৰ্মৰ পৰা বিৰত থকাত ৰোগীৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। তৰুণী চিকিৎসকক ধৰ্ষণ- হত্যাৰ দোষীক তদন্তৰ জৰিয়তে কঠোৰ শাস্তি বিহাৰ দাবীত আই এম এয়ে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰাৰ পূৰ্বে ঘটনাটো সংঘটিত হোৱাৰ দিনাৰ পৰা দেশৰ বিভিন্ন প্ৰান্তত আৱাসিক চিকিৎসকসকলে প্ৰতিবাদী কাৰ্যসূচী অব্যাহত ৰাখিছে। লক্ষণীয়ভাৱে চিকিৎসক-শিক্ষাৰ্থীসকলৰ এই প্ৰতিবাদী কাৰ্যসূচীলৈ সমৰ্থন জনায় সম্পূৰ্ণৰূপে সহযোগিতা কৰে চিকিৎসাকৰ্মী সকলেও। চিকিৎসক সকলে ন্যায় আৰু শীঘ্ৰে সংস্কাৰ অৰ্থাৎ স্বাস্থ্যকৰ্মীৰ সুৰক্ষাৰ বাবে অধ্যাদেশ জাৰি কৰাৰ দাবী জনাইছে। ইপিনে দিল্লীত কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী জে পি নাড্ডাই চিকিৎসক- চিকিৎসাকৰ্মী সংগঠনৰ সৈতে মিলিত হয়। ফেডাৰেচন অৱ ৰেচিডেন্ট ডক্টৰ্ছ এছ'চিয়েচন (ফৰডা), আইএমএ, ৰেচিডেন্ট ডক্টৰ্ছ এছ'চিয়েচন অৱ গভৰ্নমেণ্টেল মেডিকেল কলেজ এণ্ড হাস্পতালৰ প্ৰতিনিধিৰ সৈতে মিলিত হৈ স্বাস্থ্যমন্ত্ৰী জে পি নাড্ডাই চিকিৎসকসকলৰ সুৰক্ষাৰ বাবে চৰকাৰে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰাৰ আশ্বাস দিয়ে। চিকিৎসকসকলক ধৰ্মঘট প্ৰত্যাহাৰ কৰিবলৈ আহ্বান জনাই স্বাস্থ্যকৰ্মীৰ সুৰক্ষাৰ বাবে কমিটী গঠন কৰাৰ প্ৰতিশ্ৰুতি দিয়ে স্বাস্থ্য মন্ত্ৰালয়ে। এই কমিটীত ৰাজ্য চৰকাৰৰ লগতে সকলো অংশীদাৰক সাঙুৰি লোৱা হ'ব। ইপিনে চিকিৎসকক ধৰ্ষণ আৰু হত্যাকাণ্ডৰ গোচৰৰ তদন্ত কৰি থকা চিবিআয়ে ঘটনা সংঘটিত আৰ জি কৰ মেডিকেল কলেজত উপস্থিত হৈ তথ্য-সাক্ষ্য সংগ্ৰহ কৰিছে। চিকিৎসকৰ ধৰ্ষণ-

(দহ পৃষ্ঠাত চাওক)

## প্ৰদেশ কংগ্ৰেছৰ নিৰ্বাচন কমিটী আৰু ৰাজনৈতিক পৰিক্ৰমা কমিটীৰ পৰা পদত্যাগ অকণ বৰা



ৰঙিলী বাৰ্ত্তাসেৱা- অৱশেষত প্ৰদেশ কংগ্ৰেছৰ নিৰ্বাচন কমিটী আৰু ৰাজনৈতিক পৰিক্ৰমা কমিটীৰ পৰা পদত্যাগ কৰিলে জ্যেষ্ঠ কংগ্ৰেছ নেতা তথা প্ৰাক্তন মন্ত্ৰী অকণ বৰাই। এআইচিচিৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেলৈ অকণ বৰাই পদত্যাগ-পত্ৰ প্ৰেৰণ কৰে। উল্লেখ্য যে পুত্ৰ মানস বৰাই বিজেপি দলত যোগদান কৰাৰ পিছৰে পৰা কংগ্ৰেছত অস্বস্তিকৰ পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়া হয় জ্যেষ্ঠ কংগ্ৰেছ নেতা অকণ বৰা। কংগ্ৰেছৰ ভিতৰুৱা খবৰ অকণ বৰাৰ পৰা পুত্ৰ মানস বৰাই লাভ কৰি সেই খবৰ বিজেপিক দিয়ে বুলি দলৰ একাংশই তেওঁৰ প্ৰতি সন্দেহ প্ৰকাশ কৰি আহিছে। আনকি অলপতে অনুষ্ঠিত প্ৰদেশ কংগ্ৰেছৰ ৰাজনৈতিক পৰিক্ৰমা কমিটীৰ বৈঠকত অকণ বৰাৰ উপস্থিতিক লৈও দলৰ একাংশই সন্দেহ আৰু অসন্তুষ্টি ব্যক্ত কৰিছিল। বহু সময়ত অকণ বৰাৰ উপস্থিতিত দলৰ গুৰুত্বপূৰ্ণ বিষয় আদি আলোচনা কৰাৰ পৰাও দল বিৰত থাকে। মূলতঃ পুত্ৰ মানস বৰাই বিজেপিত যোগ দিলেও পিতা-পুত্ৰ একেখন ঘৰত থকা বাবেই বহুতে অকণ বৰাক সহজভাৱে ল'ব পৰা নাছিল। ফলত দলৰ মজিয়াত কাৰ্যতঃ এলাগী হোৱাৰ উপক্ৰম হৈ পৰে জ্যেষ্ঠ কংগ্ৰেছ নেতা অকণ বৰা। এনে প্ৰেক্ষাপটত অকণ বৰাই প্ৰদেশ কংগ্ৰেছৰ নিৰ্বাচন কমিটী আৰু ৰাজনৈতিক পৰিক্ৰমা কমিটীৰ পৰা পদত্যাগ কৰে। অৱশ্যে তেওঁ এতিয়াও কংগ্ৰেছ দলৰ সদস্য হৈ আছে। ইপিনে দলৰ এক ব্যক্তি এক পদ নীতি অনুসৰণ কৰি গুৱাহাটী মহানগৰ জিলা কংগ্ৰেছৰ সভাপতি পদৰ পৰা পদত্যাগ কৰিছে নৱজ্যোতি তালুকদাৰে। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই দলৰ মিডিয়া বিভাগৰ সাধাৰণ সম্পাদক গোপাল চন্দ্ৰ শৰ্মাক গুৱাহাটী মহানগৰ জিলা কংগ্ৰেছৰ ভাৰপ্ৰাপ্ত সভাপতি হিচাপে নিযুক্তি দিছে। উল্লেখ্য যে নৱজ্যোতি তালুকদাৰ প্ৰদেশ কংগ্ৰেছৰ উপ-সভাপতিৰ দায়িত্বত আছিল।

## অসমৰ প্ৰখ্যাত এৰী সূতাক জাৰ্মানীৰ অ'ইকো-টেক্স প্ৰমাণপত্ৰ প্ৰদান



ৰঙিলী বাৰ্ত্তাসেৱা- অসম তথা উত্তৰ-পূৰ্বাঞ্চললৈ এক সুখবৰ। অসমৰ প্ৰখ্যাত এৰী সূতাক প্ৰদান কৰা হৈছে সন্মানীয় অ'ইকো টেক্স ষ্টেণ্ডাৰ্ড ১০০ৰ প্ৰামাণ্যতা। দেশৰ ৭৮-সংখ্যক স্বাধীনতা দিৱসৰ দিনাই জাৰ্মানীৰ পৰা আহে সুখবৰ। অসমৰ এৰী সুতাৰ বাবে ড'নাৰ মন্ত্ৰালয়ৰ অধীনৰ উত্তৰ-পূৰ্বাঞ্চল হস্ততাঁত আৰু বস্ত্ৰ উন্নয়ন নিগমলৈ এই প্ৰামাণ্যতা প্ৰদান কৰা হৈছে। উল্লেখ্য যে এৰী সূতাই লাভ কৰা এই প্ৰামাণ্যতাৰ ফলত বিশ্বব্যাপী স্বীকৃতিপ্ৰাপ্ত বহনক্ষম বস্ত্ৰৰ মৰ্যাদা এৰী সূতাই লভিবলৈ সক্ষম হ'ব। অ'ইকো টেক্স প্ৰামাণ্যতা সাধাৰণতে পৰিৱেশ অনুকূল অৱস্থাত উৎপন্ন হোৱা তথা কোনোধৰণৰ হানিকাৰক দ্ৰব্য নথকা বস্ত্ৰৰ ক্ষেত্ৰত প্ৰদান কৰা হয়। এৰী সূতাই

(দহ পৃষ্ঠাত চাওক)

# স্বাধীনতা দিৱসৰ দিনটোত ৰাজ্যৰ বিভিন্ন প্ৰান্তত বোমা সংস্থাপন আলফা (স্বাধীন)ৰ

ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যত পুনৰ মূৰ দাঙি উঠিছে সন্ত্ৰাসবাদী সংগঠন আলফা (স্বাধীন)। দেশজুৰি ৭৮ সংখ্যক স্বাধীনতা দিৱস উদযাপনত ৰাজ্যবাসী ব্যস্ত হৈ থকাৰ সময়তে ৰাজ্যৰ ১৯টা স্থানত আলফা (স্বাধীন)য়ে বোমা সংস্থাপন কৰাৰ বাতৰি বিয়পি পৰাৰ লগে লগে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়। উল্লেখ্য যে সংগঠনটোৱে সংবাদ মাধ্যমলৈ জাৰি কৰা এক বিবৃতিযোগে ৰাজ্যৰ ১৫টা স্থান ক্ৰমে শিৱসাগৰৰ ডিটিঅ' অফিচ, শিৱসাগৰৰ বিজি ৰোড, লাকুৱা তিনিআলিত, ডিব্ৰুগড় এছটিচি, লখিমপুৰ এছটিচি, লখিমপুৰ আৰক্ষী অধীক্ষকৰ কাষৰ পেৰেড গ্ৰাউণ্ড, লালুক দৈনিক বজাৰ, বৰঘাট আৰক্ষী চকী, নগাঁও মেডিকেল কলেজ যোৱা পথ, দিছপুৰ লাষ্টগেট, গান্ধী মণ্ডপ, নাৰেংগী আৰ্মী কেম্প, পাণবজাৰ, যোৰাবাট উৰণ সেতু, ভেটাপাৰা, মালিগাঁও, ৰাজগড়, নলবাৰী, ৰঙিয়া তামুলপুৰ পথ, তিনিচুকীয়া পানীতোলা আদিকে ধৰি কেইবাটাও স্থানত বোমা সংস্থাপন কৰা বুলি উল্লেখ কৰে। তাৰ পাছতেই ৰাজ্যজুৰি এক হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয়। সন্ত্ৰাসবাদী সংগঠনটোৰ এই বিবৃতিৰ পিছত ৰাজ্যৰ উক্ত অঞ্চলসমূহৰ লগতে মহানগৰী গুৱাহাটীৰো বিভিন্ন অঞ্চলত বোমাৰ সন্ধান বিচাৰি অসম আৰক্ষীয়ে তীব্ৰ অভিযান চলায়। দিনৰ ভাগৰ পৰা গোটেই নিশা পৰ্যন্ত আৰক্ষীয়ে অভিযান চলাই ৰাজ্যৰ প্ৰায় ছয়টা স্থানত বোমাসদৃশ কেতবোৰ সামগ্ৰী উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ইপিনে গুৱাহাটী মহানগৰীতো মহানগৰ আৰক্ষীয়ে বিভিন্ন স্থানত অভিযান চলাই কালি পাণবজাৰৰ প্ৰাগ্ কণ্টিনেন্টেল হোটেলৰ কাষৰ এখন পাণ দোকানত আৰু গান্ধীবস্তিৰ পৰা গান্ধীমণ্ডপ অভিমুখে যোৱা ৰাস্তাটোত থকা ছুইচব'ৰ্ডত বোমা জাতীয় সামগ্ৰী উদ্ধাৰ কৰে। আৰক্ষী আয়ুক্ত দিগন্ত বৰাই আজি সদৰী কৰা মতে কালি উক্ত দুই স্থানত বোমাসদৃশ সামগ্ৰী উদ্ধাৰ কৰাৰ পাছত আজি দিছপুৰ লাষ্টগেট আৰু সাতগাঁৱৰ সেনা ছাউনীৰ সমীপত বোমাসদৃশ সামগ্ৰী উদ্ধাৰ কৰা হয়। আৰক্ষীয়ে সামগ্ৰীখিনি জব্দ কৰাৰ পিছত তাত ডিট'নেটৰ, ছাৰ্কিট আৰু বিস্ফোৰকজাতীয় সামগ্ৰী উদ্ধাৰ কৰা হয়। উক্ত সামগ্ৰীখিনি প্ৰকৃততে বিস্ফোৰকজাতীয় হয়নে নহয়, সেয়া ফৰেনছিক পৰীক্ষাৰ অন্ততহে ক'ব পৰা যাব। অৱশ্যে বোমাসদৃশ সামগ্ৰীসমূহ উদ্ধাৰ হ'লেও তাত বোমাটো বিস্ফোৰণ কৰিব পৰা ব্যৱস্থা নাছিল বুলি আৰক্ষী আয়ুক্ত দিগন্ত বৰাই লগতে কয়। এই সন্দৰ্ভত তদন্ত বৰ্তমানেও অব্যাহত ৰাখি আন ঠাইসমূহতো আৰক্ষীয়ে বোমাৰ সন্ধান অব্যাহত ৰাখিছে বুলি আয়ুক্ত দিগন্ত বৰাই কয়।

# ঘোষণা কৰা হ'ল ৭০সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা







ৰঙিলী বাৰ্ত্তাসেৱা- ঘোষণা কৰা হ'ল ৭০সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা। ৭০সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাই অসমলৈ কঢ়িয়াই আনিছে বিশেষ সন্মান। ৰাজ্যৰ ৫খন ভিন্নধৰ্মী চিনেমা, তথ্যচিত্ৰ আৰু চুটি ছবিয়ে কঢ়িয়াবলৈ সক্ষম হৈছে বঁটা। আঞ্চলিক ভাষাৰ কাহিনী চিত্ৰ শিতানত কুলনন্দিনী মহন্তৰ 'এমুঠি পুঠি'য়ে শ্ৰেষ্ঠ অসমীয়া ছবিৰ সন্মান অৰ্জনেৰে লাভ কৰিছে ৰজত কমল বঁটা। ছবিখনৰ পৰিচালক কুলনন্দিনী মহন্ত আৰু প্ৰযোজক মেটানৰ্মেল মোচন পিকচাৰ্জ প্ৰাইভেট লিমিটেড। অকাহিনী শিতানতে আইমী বৰুৱা পৰিচালিত 'বিৰুবালা'‘উইটছ টু পদ্মশ্ৰী'য়ে লাভ কৰে জুৰীৰ বিশেষ বঁটা। আনহাতে, হাড়গিলা- দ্য গ্ৰেটাৰ এডজুটেন্ট ষ্ট'ৰ্কেও লাভ কৰিছে জুৰীৰ বিশেষ সন্মান। এই ছবিখনৰ প্ৰযোজক পি আই এণ্টাৰটেইনমেণ্ট আৰু পৰিচালক পাৰ্থ সাৰথি মহন্ত। চুটি ছবিৰ শিতানত নৱপৱন ডেকা পৰিচালিত 'শূন্যতা'ই লাভ কৰিছে শ্ৰেষ্ঠ চুটি ছবি বঁটা। তিৱা ভাষাত নিৰ্মিত ড° ববী শৰ্মা বৰুৱাৰ 'ছিকাইছল' ছবিখনে ৰজত কমল বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে আজি পুৰস্কাৰ ঘোষণা কৰাৰ পাছতেই বিৰুবালা 'উইটছ টু পদ্মশ্ৰী' ছবিখনৰ বাবে লাভ কৰা বিশেষ সন্মানক লৈ উৎসাহিত হৈ পৰিছে পৰিচালক আইমী বৰুৱা। এই সন্দৰ্ভত পৰিচালগৰাকীয়ে কয় যে এই বঁটাই বিৰুবালা ৰাভাৰ কষ্ট, ত্যাগ আৰু তেওঁ কৰা যুদ্ধক ৰাষ্ট্ৰীয় পৰ্যায়ত স্বীকৃতি দিলে। এই বঁটাটো কেৱল মোৰ নহয়, ছবিখনৰ লগত জড়িত সকলোৱে বাবে এই সন্মান। আনহাতে হাড়গিলা- দ্য গ্ৰেটাৰ এডজুটেন্ট ষ্ট'ৰ্ক ছবিখনে লাভ কৰা জুৰীৰ বিশেষ বঁটাৰ বাবে আজি ছবিখনৰ পৰিচালক পাৰ্থ সাৰথি মহন্তই হাড়গিলা সংৰক্ষণত বিশেষ ভূমিকা গ্ৰহণ কৰা মহিলাসকলৰ প্ৰতি এই সন্মান উৎসৰ্গা কৰে। পাৰ্থ সাৰথি মহন্তই এই সন্দৰ্ভত কয়- বিপন্ন প্ৰাণী হাড়গিলা সংৰক্ষণৰ ক্ষেত্ৰত পূৰ্ণিমা দেৱী বৰ্মন আৰু তেওঁৰ সহযোগী মহিলাসকলে কৰা কষ্টক স্বীকৃতি দিলে ৰাষ্ট্ৰই। ২০১০ চনৰ পৰা কামৰূপ জিলা আৰক্ষীৰ দায়িত্বত থাকোঁতেই এই সংৰক্ষণৰ কামত জড়িত হৈ আছিলোঁ। বিলুপ্ত হ'ব খোজা প্ৰাণীবিধৰ সংৰক্ষণৰ ক্ষেত্ৰত গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ ফটোসমূহ সংগ্ৰহ কৰিছিলোঁ। পৰৱৰ্তী সময়ত এই প্ৰচেষ্টাক ডকুমেন্টৰী ৰূপ দিয়া হ'ল। ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাৰ জৰিয়তে লাভ কৰা এই সন্মান পূৰ্ণিমা দেৱী বৰ্মনৰ নেতৃত্বত গঠন হোৱা হাড়গিলা আৰ্মীলৈ এই বঁটা উৎসৰ্গা কৰিছোঁ। ইফালে, ৭০ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাত উজলি উঠা অসমৰ পৰিচালক-প্ৰযোজকসকললৈ অভিনন্দন জ্ঞাপন কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। সামাজিক মাধ্যমত ড° শৰ্মাই কয় যে অসমৰ সাংস্কৃতিক জগত বিশেষকৈ চলচ্চিত্ৰপ্ৰেমীসকলৰ বাবে আজিৰ এই দিনটো বিশেষ প্ৰাপ্তিৰ দিন। এই শুভ মুহূৰ্তত ৰাজ্যলৈ সুনাম কঢ়িয়াই অনা এই বিশেষ চিনেমাকেইখনৰ সন্মানীয় প্ৰযোজক-পৰিচালক, সমূহ কলা-কুশলীক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো। আশা ৰাখিছোঁ ভৱিষ্যতৰ দিনত সৃষ্টিৰ ন বাটেৰে আমাৰ শিল্পী সমাজে অসমক এক নতুন মান্যতা প্ৰদান কৰিব।

# ৰাজ্যিক মহিলা মৰ্চাৰ উদ্যোগত মৌন প্ৰতিবাদ



ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰতীয় জনতা পাৰ্টী মহিলা মৰ্চা অসম প্ৰদেশৰ উদ্যোগত আৰু কামৰূপ মহানগৰ জিলা বিজেপি ৰ সহযোগত লতাশিল খেলপথাৰত আজি এক মৌন প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ন কৰা হয়। সমগ্ৰ দেশ কঁপাই যোৱা কলকাতাৰ এগৰাকী মহিলা ডাক্তৰক ধৰ্ষণ কৰি নৃশংসভাৱে হত্যা কৰাৰ প্ৰতিবাদত লতাশিল খেলপথাৰত সহস্ৰাধিক মহিলা গোট খাই হাতে হাতে মমবাতি লৈ তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। এই ঘটনাৰ লগত জড়িত সকলো দোষীকে শীঘ্ৰেই চৰম শাস্তি প্ৰদান কৰি ভুক্তভোগী পৰিয়ালক ন্যায় প্ৰদানৰ দাবী জনায়। ৰোগীক জীৱন দান দিয়া, ৰোগীৰ জীৱন ৰক্ষা কৰা ডাক্তৰ সকলক সুৰক্ষা প্ৰদানত ব্যৰ্থ হোৱা মমতা বেনাৰ্জীৰ চৰকাৰ তথা প্ৰশাসনৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰি বিজেপিৰ জিলা সভাপতি তপন দাসে শীঘ্ৰেই দোষীক দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ দাবী জনায়। এই প্ৰতিবাদী কাৰ্যসূচীত ৰাজ্যিক মহিলা মৰ্চাৰ সাধাৰণ সম্পাদিকা দ্বয় ক্ৰমে পূৰবী ৰয় আৰু ৰত্না সিং ৰ নেতৃত্বত মহিলা মৰ্চাৰ ৰাজ্যিক বিষয়ববীয়া, ৰাজ্যিক কাৰ্য্যবাহী সদস্যা তথা ৰাজ্যিক আমন্ত্ৰিত সদস্যা সকলৰ লগতে কামৰূপ মহানগৰ জিলাৰ কাৰ্য্যকৰ্তা সকলক উপস্থিত থাকে।

# মঙলদৈ অসামৰিক চিকিৎসালয়ত নতুন সেৱাৰ শুভ উন্মোচন





ৰঙিলী বাৰ্ত্তাসেৱা- হস্ততাঁত আৰু বস্ত্ৰ, ভূমি সংৰক্ষণ আৰু বড়োলেণ্ড কল্যাণ বিভাগৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মাই মঙলদৈ অসামৰিক চিকিৎসালয়ত সংহত জনস্বাস্থ্য পৰীক্ষাগাৰ, ছেমি আই চি ইউ, ফিজিঅ'থেৰাপী বিভাগ, শীত-তাপ নিয়ন্ত্ৰিত ভেৰোণীয়া আৰু অৰ্ধ ভেৰোণীয়া কোঠা, বাৰ্ধক্যজনিত কক্ষ আৰু মহিলা অন্তঃবিভাগ আদিৰ দ্বাৰ উন্মোচন কৰে। মঙলদৈ অসামৰিক চিকিৎসালয়ৰ এই নতুন সেৱাসমূহৰ শুভ উন্মোচন কৰি দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে কয় যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বৰ চৰকাৰখনৰ কাৰ্যকালত ৰাজ্যখনৰ স্বাস্থ্য খণ্ডত প্ৰভূত উন্নতি সাধন হৈছে। তেওঁ লগতে কয় যে মঙলদৈ অসামৰিক চিকিৎসালয়ৰ দৰে চিকিৎসানুষ্ঠান সুপৰিচালনা কৰি আগবঢ়াই নিবৰ বাবে উপযুক্ত নেতৃত্বৰ প্ৰয়োজন। এইক্ষেত্ৰত তেওঁ অভিজ্ঞ আৰু সুদক্ষ চিকিৎসকৰ ভূমিকাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি দৰং-ওদালগুৰি সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্যৰ চিকিৎসা ক্ষেত্ৰত সুদূৰপ্ৰসাৰী পৰিবৰ্তন হৈছে বুলি মন্তব্য কৰে। সকলোৱে সহযোগিতাত মঙলদৈ অসামৰিক চিকিৎসালয়খন সুন্দৰ কৰি ৰাখিব লাগিব বুলি উল্লেখ কৰি এইক্ষেত্ৰত তেওঁ জনসচেতনতাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। উক্ত অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰে মঙলদৈ সমষ্টিৰ বিধায়ক বসন্ত দাসে। অনুষ্ঠানত ছিপাঝাৰ সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী, দৰঙৰ জিলা আয়ুক্ত মুনীন্দ্ৰ নাথ ঙাটে, আৰক্ষী অধীক্ষক প্ৰকাশ সোণোৱাল, মঙলদৈ অসামৰিক চিকিৎসালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ডাঃ উৎপল বৰুৱা আদি উপস্থিত থাকে। অমৃত বৃক্ষ আন্দোলনৰ সৈতে সংগতি ৰাখি মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম আৰু আন কেউগৰাকী বিশিষ্ট ব্যক্তিয়ে চিকিৎসালয়খনৰ চৌহদত গছপুলি ৰোপণ কৰে।

# চেলুট তিৰংগা অসম প্ৰদেশ সমিতিৰ স্বাধীনতা দিৱস উদযাপন




ৰঙিলী বাৰ্ত্তাসেৰা- চেলুট তিৰংগা অসম প্ৰদেশ সমিতিৰ ১৫ আগষ্ট স্বাধীনতা দিৱস উপলক্ষ্যে ৰাষ্ট্ৰীয় সংগঠন "চেলুট তিৰংগা" অসম ৰাজ্যিক সভাপতি অনুপ সিনহাই কয় যে ভাৰতৰ জাতীয় পতাকা আমাৰ দেশৰ অখণ্ডতা আৰু সৰ্বভৌমতত্বাৰ প্ৰতীক আৰু সেইকাৰণে ১৫ আগষ্টৰ দিনা দেশৰ ৰাষ্ট্ৰীয় পতকাক সন্মান জনাই দেশৰ ঐক্য আৰু সংহতি অক্ষত ৰখাৰ সংকল্প লৈ গোটেই দেশতে তথা বিশ্বৰ বিভিন্ন দেশত ভাৰতীয় ৰাষ্ট্ৰবাদৰ হকে কাম কৰা অহা ৰাষ্ট্ৰীয় অনুষ্ঠান চেলুট তিৰংগাৰ অসম ৰাজ্যিক সমিতিয়ে কেন্দ্ৰীয়ভাৱে অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ (ABVP) সৈতে যুটিয়াভাৱে ৰাজ্যৰ ৰাজধানী গুৱাহাটীস্থিত শংকৰদেৱ শিশু নিকেতনৰ ছাত্ৰ ছাত্ৰী সকলক লৈ লতাশিল খেলপথাৰৰ পৰা নেহৰু ষ্টেডিয়ামলৈ ১৫ আগষ্টৰ পুৱা ১০ বজাৰ পৰা বেণ্ড সহ বৰ্ণাঢ্য সা সজ্জাৰে বিশাল তিৰংগা যাত্ৰাৰ কাৰ্যসূচী লয়। কাৰ্য্যসূচীৰ আৰম্ভণিতে এ বি ভি পি আৰু চেলুট তিৰঙ্গাৰ কাৰ্যকৰ্তাই ইলেক্টনিক মেডিয়া, ডিজিটেল মেডিয়া আৰু প্ৰিন্ট মেডিয়াৰ সাংবাদিক সকলক সম্বৰ্ধনা জনায়। এই মহৎ উদ্দেশ্যৰে উৎযাপন হ'ব লগা কাৰ্যসূচীত অসমৰ হৈ চেলুট তিৰংগা ৰাষ্ট্ৰীয় পৰ্য্যবেক্ষক, ৰাষ্ট্ৰীয় সমিতিত প্ৰতিনিধিত্ব কৰা

(দহ পৃষ্ঠাত চাওক)

# মঙলদৈ বেজপাৰাত দুৰ্ঘটনাত আহত ৪ ছাত্ৰৰ মাজৰে গকুলৰ মৃত্যু

ৰঙিলী বাৰ্ত্তাসেৰা- দৰঙৰ নোৱানৈৰ দলঙৰ সমীপতে ১৩ আগষ্টত সংঘটিত ভয়াবহ পথ দুৰ্ঘটনাত গুৰুতৰভাৱে আহত গকুল বেজবৰুৱাই ১৪ আগষ্টৰ পুৱতি নিশা মৃত্যুবৰণ কৰে। গুৰুতৰ আঘাতপ্ৰাপ্ত ডাঁহী কলেজৰ একাদশ শ্ৰেণীত অধ্যয়নৰত ছাত্ৰ গৰাকীক কালি পোনতে মঙলদৈত আৰু পাছত জিএমচিএইচত ভৰ্তি কৰোৱা হৈছিল। জিএমচিত কালি আইচিইউ নোপোৱাত ব্যক্তিগত চিকিৎসালয়লৈ নিবৰ বাবে সম্বল নাছিল পৰিয়ালৰ ।উন্নত চিকিৎসা লাভ নকৰাৰ বাবেই চিৰবিদায় লবলগীয়া হয় দৰিদ্ৰ পৰিয়ালৰ ছাত্ৰজনে। ১৪ আগষ্টৰ পুৱতি নিশা প্ৰায় ৩ বজাত ছাত্ৰজনে মৃত্যুবৰণ কৰাৰ পাছত দিনৰভাগত মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰি দিনৰ ২ বজাত নিজ ঘৰলৈ উভতি আহে নিঠৰ গকুল। মঙলদৈ ১নং বেজপাৰা গাৱৰ ক্ষিৰোদ কলিতাৰ একমাত্ৰ পুত্ৰ গকুলক পোনতে ডাঁহী কলেজলৈ লৈ যোৱা হয় আৰু গকুলৰ অন্তিম ইচ্ছা পূৰণ কৰা হয়। ইয়াৰ পাছতে বেজপাৰাত স্থানীয় সংঘ, অনুষ্ঠানে অন্তিম শ্ৰদ্ধা জ্ঞাপন কৰি বেজপাৰা শ্মশানত শেষকৃত্য সম্পাদন কৰা হয়। গকুলৰ অন্তিম সৎকাৰৰ সময়তো স্থানীয় ৰাইজে গকুলৰ দুৰ্ঘটনাক হত্যাৰ ধাৰাত গোচৰ ৰুজু কৰি ৭ দিনৰ ভিতৰত জেললৈ প্ৰেৰণৰ দাবী কৰে লগতে



দৰিদ্ৰ পৰিয়ালটোক আৰ্থিক সাহাৰ্য প্ৰদানৰ গোহাৰি জনায়। বেজপাৰাৰ ৪ জনকৈ ছাত্ৰক কালি মহতিয়াই নিয়া টিয়াগো বাহন খনকলৈ কেবাটাও চাঞ্চল্যকৰ তথ্য পোহৰলৈ আহিছে। সেই অনুসৰি, ৬ মাহৰো অধিক কাল নম্বৰপ্লেট নলগোৱাকৈয়ে মেহদী

(দহ পৃষ্ঠাত চাওক)

# অখিল গগৈৰ সংবাদ মেল



ৰঙিলী বাৰ্ত্তাসেৰা- শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে, অসমৰ মুখ্যমন্ত্ৰীৰ সম্পত্তিক লৈ যোৱা কিছুদিন ধৰি যি বিতৰ্কৰ সৃষ্টি হৈ আছে আৰু এই বিতৰ্কত মুখ্যমন্ত্ৰীয়ে বিধায়ক অখিল গগৈৰ নাম টানি অনা বাবে তেওঁ তেওঁৰ নিজৰাপাৰস্থিত নিজা বাস ভৱনত এটি সংবাদ মেল অনুষ্ঠিত কৰে। উক্ত সংবাদ মেলত মুখ্যমন্ত্ৰীৰ পৰিয়ালৰ নামত থকা পাহাৰ সম সম্পত্তিৰ তালিকা প্ৰকাশ কৰে। তেওঁলোকৰ নামত থকা ৩ খন চাহ বাগিচা, ৮ টা টি ভি চেনেল, অসমৰ আটাইতকৈ ব্যয় বহুল ৰিজৰ্ট, বিলাস বহুল স্কুল, ৬/৭ টাকৈ উদ্যোগ ইত্যাদি কেতিয়া ৰাইজক গতাই দিব তেওঁ প্ৰশ্ন কৰে। তাৰোপৰি তেওঁৰ নিজৰ বুলি মুখ্যমন্ত্ৰীয়ে কৈ থকা কাজিৰঙা অৰ্কিত খনৰ কথা মুখ্যমন্ত্ৰীয়ে কৈছিল। অখিল গগৈয়ে সেইখন কেতিয়া ৰাইজৰ নামত উচৰ্গা কৰিব? কিন্তু ইতিমধ্যে গগৈয়ে ২০১৫ চনৰ ৮ ডিচেম্বৰত সেইখন আৰ্কিত ৰাজহুৱা সমবায় হিচাবে চৰকাৰীভাৱে প্ৰদান কৰা নথি সাংবাদিকৰ আগত প্ৰদৰ্শন কৰে। গুৱাহাটী কৃত্ৰিম বান সমস্যা সমাধান কৰিব নোৱাৰি ইউ এছ টি এমক বদনাম দি সাম্প্ৰদায়িক ৰাজনীতিৰ পৰা মুখ্যমন্ত্ৰীক আঁতৰি আহিবলৈ তেওঁ সঁকিয়াই দিয়ে আৰু অখিল গগৈয়ে প্ৰত্যাহ্বান জনায় যদি বেনামে কৰবাত এটা তেওঁৰ নামত কোনো সম্পত্তি আছে হিমন্ত বিশ্ব শৰ্মাই দেখুৱাই দিয়ক। আৰ এইচ খানে তেওঁক উপহাৰ দিয়া গাড়ী এখনৰ কথা

(দহ পৃষ্ঠাত চাওক)

# কটন বিশ্ববিদ্যালয়ৰ প্ৰতিবাদী কাৰ্য্যসূচী



ৰঙিলী বাৰ্ত্তাসেৰা-গুৱাহাটী কটন বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিভাগৰ ছাত্ৰ ছাত্ৰীৰ কুলদ্বীপ শৰ্মা, ৰক্তিম বৰকাকতি, আয়ুষ্মান পেগু, সুদক্ষিনা কাশ্যপ, সাধনা দেৱীৰ নেতৃত্বত প্ৰায় ৭০ জন মান ছাত্ৰ ছাত্ৰীয়ে কলকতাৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয়ত এগৰাকী ডাঃ মৌমিতা দেবনাথক ধৰ্ষণ কৰি হত্যা কৰা জঘন্য ঘটনাৰ উচিত ন্যায় আৰু ভাৰত বৰ্ষৰ সকলো ঠাইৰ নাৰীৰ সুৰক্ষাৰ বাবে বেনাৰ বিভিন্ন প্লে কাৰ্ড আদি আৰু হাতে হাতে মম শিখা লৈ কটন বিশ্ববিদ্যালয় চৌহদৰ মুখ্য দ্বাৰৰ ওচৰৰ পৰা ভিতৰেদি মৌন সমদল কৰি নেহেৰু পাৰ্কৰ সন্মুখ হৈ বি এছ এন এল কাৰ্য্যালয়ৰ সন্মুখেৰে এক মৌন প্ৰতিবাদী সমদল কাৰ্য্যসূচীৰে বিশ্ববিদ্যালয়ত প্ৰৱেশ কৰি কাৰ্য্যসূচী সমাপ্ত কৰে। উল্লেখ কৰিব পাৰি যে সাংবাদিকৰ এক প্ৰশ্নৰ উত্তৰত তেওঁলোকে কয় যে প্ৰধানমন্ত্ৰীয়ে বেটি বছাও বেটী পঢ়াও শ্লোগান দিয়ে, কাৰ্য্যত কিন্তু সেয়া হৈ উঠা নাই। আৰু ইয়াৰ বাবে তেওঁলোকে দুখ প্ৰকাশ কৰে লগতে দোষীয়ে যাতে উপযুক্ত শাস্তি পায় তাৰ কামনা কৰে।

# কটন বিশ্ববিদ্যালয়ত হোষ্টেলৰ সুৰক্ষাকৰ্মীক বেয়াকৈ প্ৰহাৰ দুজন ছাত্ৰৰ

ৰঙিলী বাৰ্ত্তাসেৰা- পুনৰ কটন বিশ্ববিদ্যালয়ত সংঘটিত হৈছে মাৰপিটৰ ঘটনা। এইবাৰ হোষ্টেলৰ সুৰক্ষাকৰ্মীক বেয়াকৈ প্ৰহাৰ কৰাৰ অভিযোগ উত্থাপিত হৈছে দুজন ছাত্ৰৰ বিৰুদ্ধে। সুৰাপান কৰিবলৈ নিদিয়াৰ বাবেই সুৰক্ষাকৰ্মী পূৰ্বজ্যোতি কলিতাক মাৰপিট কৰাৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগ উত্থাপন হৈছে সীতানাথ ব্ৰহ্মচৌধুৰী হোষ্টেলৰ খঞ্জন গোহাঁই আৰু আন এজন যুৱকৰ বিৰুদ্ধে। খবৰ অনুসৰি, বুধবাৰে নিশা নিৰাপত্তাৰ দায়িত্বত আছিল সুৰক্ষাকৰ্মী পূৰ্বজ্যোতি কলিতা। সুৰক্ষাকৰ্মীজনৰ সন্মুখতেই সুৰাপান কৰিবলৈ লৈছিল অভিযুক্ত খঞ্জন গোঁহাই নামৰ ছাত্ৰজনে। সুৰক্ষাকৰ্মীজনে সেই কাৰ্যক বাধা দিবলৈ যাওঁতেই বেয়াকৈ প্ৰহাৰ কৰে খঞ্জন গোহাঁইয়ে। ইতিমধ্যে পাণবজাৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে ভুক্তভোগী সুৰক্ষাকৰ্মীজনে। উল্লেখযোগ্য যে সঞ্জন গোহাঁইৰ বিৰুদ্ধে পাণবজাৰ আৰক্ষী থানাত আছে পূৰ্বৰ একাধিক গোচৰ।

# বিচিচিআয়ে ঘোষণা কৰা দুলীপ ট্ৰফীৰ দলত অসমৰ ২ সন্তান

ৰঙিলী বাৰ্ত্তাসেৰা- বিচিচিআয়ে দুলীপ ট্ৰফীৰ বাবে দল ঘোষণা কৰিছে। অহা ৫ চেপ্তেম্বৰৰ পৰা আৰম্ভ হ'ব দুলীপ ট্ৰফীৰ মেচ ।অন্ধ প্ৰদেশ অনন্তপুৰ আৰু বেংগলুৰুত অনুষ্ঠিত হ'ব দুলীপ ট্ৰফী মেচ। বিচিচিআয়ে ঘোষণা কৰা দলত স্থান লাভ কৰিছে অসমৰ দুই খেলুৱৈয়ে। তেঁওলোক দুয়ো হৈছে আন্তঃৰাষ্ট্ৰীয় খেলুৱৈ ৰিয়ান পৰাগ আৰু প্ৰতিভাৱন যুৱ খেলুৱৈ আকাশ সেনগুপ্ত। এই দুয়োগৰাকী অসম সন্তানক স্থান দিয়া হৈছে দুলীপ ট্ৰফীত। মুঠ চাৰিটা দলত ভাগ কৰা হৈছে দলসমূহ। টীম এ, বি, চি আৰু ডি। দুলীপ ট্ৰফীত ভাৰতীয় এ দলত স্থান লাভ ৰিয়ান পৰাগৰ আৰু ভাৰতীয় ডি দলত স্থান লাভ আকাশ সেনগুপ্তাৰ। উল্লেখ্য যে ৰোহিত শৰ্মা আৰু বিৰাট কোহলীয়ে এইবাৰ দুলীপ ট্ৰফীত অংশ লোৱাৰ সম্ভাৱনা আছিল যদিও শেহতীয়াকৈ প্ৰকাশ পোৱা দলত দুয়োগৰাকী ক্ৰিকেটাৰৰ নাম নাই । ইফালে দুলীপ ট্ৰফীৰ কোনো খেলুৱৈ আসন্ন বাংলাদেশ ভ্ৰমণত যদি অন্তৰ্ভূক্ত হয়, তেন্তে দুলীপ ট্ৰফীৰ পৰা নাম কৰ্তন কৰা হ'ব।

# বৰপেটাত আপৰ কৰ্মকৰ্তা সন্মিলনত ৰাষ্ট্ৰীয় নেতৃত্ব



ৰঙিলী বাৰ্ত্তাসেৱা- "শীঘ্ৰেই গঠন হ'ব আম আদমী পাৰ্টিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক । ইতিমধ্যে সমগ্ৰ ৰাজ্যতে দলৰ গণভিত্তি শক্তিশালী কৰাৰ উদ্দেশ্যে সদস্য ভৰ্তি অভিযান অব্যাহত আছে। জিলা পৰ্যায়ত দলৰ কৰ্মকৰ্তা সন্মিলন অনুষ্ঠিত হৈছে। আমি ৰাজ্যৰ আগন্তুক পঞ্চায়ত নিৰ্বাচনৰ বাবে দলৰ কৰ্মী সকলক সাজু হ'বলৈ আহ্বান জনাইছোঁ। দলৰ ৰাষ্ট্ৰীয় আহ্বায়ক সমিতিয়ে কেজৰিৱালৰ আদৰ্শৰ ভিত্তিত অসমতো কামৰ ৰাজনীতিৰ ধাৰা আৰম্ভ হৈছে। আমি আশা কৰিছো যে উন্নয়নৰ স্বাৰ্থত কংগ্ৰেছ আৰু বিজেপিৰ বিকল্প শক্তি হিচাপে অসমৰ ৰাইজে আম আদমী পাৰ্টিক এইবাৰ আকোঁৱালি ল'ব।" বৰপেটা প্ৰেছ ক্লাৱত অনুষ্ঠিত আপৰ জিলা কৰ্মকৰ্তা সন্মিলনত এইদৰে মত ব্যক্ত কৰে আপৰ উত্তৰ পূৰ্বাঞ্চলৰ তত্বাৱধায়ক ৰাজেশ শৰ্মাই। শতাধিক দলীয় কৰ্মীৰ উপস্থিতিত অনুষ্ঠিত সভাত তত্বাৱধায়ক ৰাজেশ শৰ্মাৰ উপৰি আন এগৰাকী কেন্দ্ৰীয় নেতা অৱসৰপ্ৰাপ্ত কৰ্ণেল ৰাহুল পানৱাৰে কয়- " দিল্লীত মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ নেতৃত্বাধীন আম আদমী পাৰ্টিৰ চৰকাৰে জনসাধাৰণৰ বাবে যি ধৰণৰ আঁচনি গ্ৰহণ কৰিছে, অসমতো একেধৰণৰ জনমুখী চৰকাৰ গঠনৰ স্বাৰ্থত আপে লক্ষ্য নিৰ্ধাৰণ কৰিছে। সেইবাবেই পঞ্চায়ত নিৰ্বাচনৰ আগে আগে আমি সাংগঠনিক ভেটি শক্তিশালী ৰূপত গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছোঁ।" কাৰ্যসূচীত দলৰ ৰাজ্যিক সভাপতি ডাঃ ভবেন চৌধুৰীয়ে বৰপেটা জিলাৰ আটাইকেইটা বিধান সভা সমষ্টিত সদস্য ভৰ্তি অভিযান তৰান্বিত কৰাৰ বাবে দলীয় কৰ্মী সকলক পৰামৰ্শ দিয়ে। কৰ্মকৰ্তা সন্মিলনত দলৰ জ্যেষ্ঠ নেতা মামুন ইমদাদুল হক চৌধুৰী, মনছুৰ তালুকদাৰ আৰু মহিউদ্দিন ছিদ্দিকীও উপস্থিত থাকে ।

# অসম জাতীয় পৰিষদলৈ নতুন প্ৰজন্ম



ৰঙিলী বাৰ্ত্তাসেৱা- ঐতিহাসিক অসম আন্দোলনৰ অগ্ৰণী নেতা তথা অসম গণ পৰিষদৰ উপ-সভাপতি দিগন্ত শইকীয়াৰ পুত্ৰ গীতাৰ্থ শইকীয়াই আজি অগপ আৰু বিজেপিৰ বহুসংখ্যক স্থানীয় নেতা-কৰ্মীক লগত লৈ অসম জাতীয় পৰিষদত যোগদান কৰে। ভাতৃপ্ৰতিম গীতাৰ্থ শইকীয়া 'ডিগবৈ যুৱ উন্নয়ন মঞ্চ' নামৰ এটা জনপ্ৰিয় সংগঠনৰ সভাপতি হিচাপেও কৰ্মৰত। ডিগবৈত অসম জাতীয় পৰিষদৰ তিনিচুকীয়া জিলা সমিতিৰ উদ্যোগত আৰু ডিগবৈ সমষ্টি সমিতিৰ আতিথ্যত অনুষ্ঠিত যোগদান সমাৰোহত আমাৰ দলত যোগদান কৰা গীতাৰ্থৰ উপৰি বিজেপিৰ টঙনা পঞ্চায়তৰ সম্পাদক বিজয় ওৱাং, বিজেপিৰ সমষ্টি সমিতিৰ সদস্য দীপাংকৰ মেচকে প্ৰমুখ্য কৰি সকলো নৱাগতক দলৰ মজিয়ালৈ দলৰ মাননীয় সভাপতি লুৰীণজ্যোতি গগৈয়ে আদৰণি জনায়।

# ২১ আগষ্টৰ পৰা নাট্যযাত্ৰাৰ পাতনি মেলিব হেঙুল থিয়েটাৰে, সৰ্বত্ৰে চৰ্চাত 'বিড়ি'

ৰঙিলী বাৰ্ত্তাসেৱা- খাটি খোৱা মানুহবোৰে বিড়ি হুপি ভাল পায়। তেনে এজন যুৱকে এদিন বিড়িটো জ্বলাই লৈ এনে এটা কাণ্ড কৰি পেলায় যি আছিল অবিচাৰ্য আৰু অকল্পনীয়। সেই বিড়ি হোপা যুৱকজনৰ সতে এগৰাকী আধুনিক যুৱতীৰ মৰ্মস্পৰ্শী প্ৰেম কাহিনীৰে সমৃদ্ধ নাট্যকাৰ অভিজিত ভট্টাচাৰ্যৰ 'বিড়ি' নাটখনক লৈ অহা ২১ আগষ্টৰ পৰা নাট্যযাত্ৰাৰ পাতনি মেলিবলৈ সাজু হৈছে হেঙুল থিয়েটাৰ। ইতিমধ্যে 'বিড়ি'ক লৈ সৰ্বত্ৰে চৰ্চা চলি আছে। লক্ষণীয় কথাটো হল- নাটকৰ ব্যতিক্ৰমী নামটো ঘোষণা




কৰা দিনৰে পৰা অসমৰ নাট্যপ্ৰেমীয়ে যি তীব্ৰ উৎকণ্ঠা দেখুৱাই আহিছে, আৰু তাৰেই সমাপ্তি ঘটিব অহা ২১ আগষ্টৰ পৰা। অভিজ্ঞ নাট পৰিচালক সংকল্পজিত হাজৰিকাই পৰিচালনা কৰা 'বিড়ি' নাটখনক আৱহ সংগীতেৰে সজাইছে জনপ্ৰিয় সংগীত পৰিচালক অৰূপ বৰুৱাই। নাটখনত চাৰিটা সুমধুৰ গীত সন্নিৱিষ্ট কৰা হৈছে। গীত সমূহত কণ্ঠদান কৰিছে জুবিন গাৰ্গ, দীক্ষু, দীপলিনা (দহ পৃষ্ঠাত চাওক)

# অসম আৰক্ষীৰ ২২ বিষয়া জোৱানলৈ ৰাষ্ট্ৰপতিৰ বিশিষ্ট- উত্তম সেৱা পদক

ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰত্যেক বছৰৰ দৰে এইবাৰো সেৱাত উল্লেখনীয় অৱদান আৰু সম্পদ-কৰ্তব্যৰ প্ৰতি দেখুওৱা নিষ্ঠাৰ বাবে অসম আৰক্ষী, গৃহৰক্ষী-অসামৰিক প্ৰতিৰক্ষা আৰু অগ্নিনিৰ্বাপক বাহিনীৰ মুঠ ২২ বিষয়া-জোৱানলৈ ৰাষ্ট্ৰপতিৰ বিশিষ্ট-উত্তম সেৱা পদক আগবঢ়োৱা হৈছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে পদক প্ৰাপকসকলৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰে। বিশিষ্ট সেৱাৰ বাবে ৰাষ্ট্ৰপতিৰ পদক লাভ কৰিছে অসম আৰক্ষীত উপ-মহাপৰিদৰ্শক হিচাপে কৰ্মৰত ৰত্না সিঙে। গৃহৰক্ষী-অসামৰিক প্ৰতিৰক্ষা শিতানত অনুৰূপ পদক লাভ কৰিবলৈ সক্ষম হৈছে জ্যেষ্ঠ ষ্টাফ বিষয়া জ্যোতি বৰাই। আনহাতে উত্তম সেৱা পদক অৰ্জন কৰিছে অসমৰ আৰক্ষীৰ ১৩জন, অগ্নিনিৰ্বাপক বাহিনীৰ ৪জন আৰু গৃহৰক্ষী- অসামৰিক প্ৰতিৰক্ষাৰ ৩জন বিষয়া জোৱানে। উত্তম সেৱা পদক অৰ্জন কৰা অসম আৰক্ষীৰ বিষয়া-জোৱানসকল হ'ল-উপ-মহাপৰিদৰ্শক বিজয় গিৰি কুলিগ্ৰাম, আৰক্ষী অধীক্ষক মিহিৰ জিৎ গায়ন, ৰঞ্জন ভুঞা, সিংহৰাম মিলি, পৰিদৰ্শক মনোজ কুমাৰ সিং, উপ- পৰিদৰ্শক ত্ৰৈলোক্য শৰ্মা, বিপুল শইকীয়া, সহঃ উপ-পৰিদৰ্শক কামিনী ডেকা, নায়ক বিজু লহকৰ, প্ৰফুল্ল ডেকা, শৈলেন কাকতি, কান্ত সিংহ আৰু ইনামুল হক। একেদৰে অগ্নিনিৰ্বাপক সেৱাত এই পদক লাভ কৰিছে লিডিং ফায়াৰমেন তাৰিণী বৰ্মন, উপ-বিষয়া পুলক ঠাকুৰীয়া, গাড়ী চালক দীপক কুমাৰ শৰ্মা আৰু মহাদেৱ বড়ো। গৃহৰক্ষী-অসামৰিক প্ৰতিৰক্ষাত উত্তম সেৱাৰ বাবে অনুৰূপ পদক অৰ্জন কৰিছে প্লাটুন কমাণ্ডৰ ডিম্বেশ্বৰ লাহন, চুবেদাৰ জয়নাল আবেদিন আৰু নায়ক ছানছুমা বসুমতাৰীয়ে। মন কৰিবলগীয়া যে এইবাৰ সাহসিকতাৰ বাবে অসমৰ পৰা কোনেও পদক অৰ্জন কৰিব পৰা নাই। উল্লেখ্য যে স্বাধীনতা দিৱস উপলক্ষে দেশৰ তথা ৰাজ্যৰ বিভিন্ন অসামৰিক নিৰাপত্তা বাহিনীৰ মুঠ ১, ০৩৭জন বিষয়া-জোৱানক বিভিন্ন শিতানত পদক প্ৰদান কৰিছে কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে। উল্লেখ্য যে পদক লাভ কৰা অসম আৰক্ষীৰ বিষয়া-জোৱানসকলক অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি পি সিঙে সামাজিক মাধ্যমযোগে শুভেচ্ছা জ্ঞাপন কৰিছে ।

# 'জনসেৱা সঁচা মানুহ বিচাৰি'ৰ উদ্‌গণিমূলক অভিনন্দন অনুষ্ঠান



ৰঙিলী বাৰ্ত্তাসেৱা- লক্ষ্যত উপনীত হ'বলৈ হ'লে সাধনা লাগিবই। শিক্ষাই আমাৰ জীৱনৰ বস্তি। সপোন আমি প্ৰত্যেকেই দেখিব লাগিব। নৈতিক সততা থাকিব লাগিব। বৰ্তমান একাংশ ডেকা চামৰ মাজত উৰ্বতা দেখিবলৈ পোৱা যায়।- এই মন্তব্য গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° কনক চন্দ্ৰ চহৰীয়াৰ। 'জনসেৱা সঁচা মানুহ বিচাৰি'ৰ উদ্যোগত ১১ আগষ্টত দক্ষিণ গুৱাহাটী জাতীয় বিদ্যালয় (দহ পৃষ্ঠাত চাওক)

# নিৰ্বাপিত হ'ল অসমীয়া কবিতাৰ এটি বৰ্ণময় সত্তা



**নাছিৰ আহমেদ, শিমলাবাৰী, গোৱালপাৰা**

ৰামধেনু যুগৰ সুকবি ৰবীন্দ্ৰ বৰাই ১৯৩৯ চনৰ ২৫ ফেব্ৰুৱাৰীত, তিনিচুকীয়াত জন্ম গ্ৰহণ কৰি সুদীৰ্ঘ যাঠি বছৰ ধৰি অসমীয়া ভাষা সাহিত্যক সাম্প্ৰতিক যুগৰ কাব্যশৈলী আৰু জাতীয়তাবাদী ভাৱধাৰাৰ ওপৰত ভিত্তি কৰি আন্তৰ্জাতিক ভাৱধাৰাৰে সৃষ্টিৰ পথাৰখনত আধুনিক বীজ ৰোপণ কৰি অনুজ কবি-লেখকৰ প্ৰেৰণাৰ অমল উৎস হৈ আধুনিক অসমীয়া কবিতা, গল্প আৰু উপন্যাসক সমৃদ্ধিশালী কৰি যোৱা ১১/০৮/২০২৪ দেওবাৰে বিয়লি ২.৩০ বজাত গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত বাৰ্ধক্যজনিত কাৰণত তেখেতে অসমীয়া সাহিত্য জগতখন শূন্য কৰি সকলোকে কন্দুৱাই স্বৰ্গধামলৈ প্ৰস্থান কৰিলে।

কবিতাৰ মাধ্যমেৰে মানুহৰ হৃদয়-তন্ত্ৰীত আনন্দ আৰু বেদনাৰ সঞ্চাৰ কৰি মানুহৰ বুকুত চিৰ সেউজীয়া হৈ থকা কবিজনেই হৈছে ৰবীন্দ্ৰ বৰা। কেৱল সেয়ে নহয়, তেখেতৰ কবিতাসমূহত সমাজৰ চেতনাবোধ জাগ্ৰত হৈ আছে। কবি গৰাকীৰ সৃষ্টি আৰু দৃষ্টিয়ে ছটা দশক ধৰি অসমৰ কাব্য পিয়াসী অনুৰাগীক মুগ্ধ কৰি ৰাখিছে। সাম্প্ৰতিক যুগৰ অসমীয়া কবিতাৰ ঐতিহ্যক চিৰ যুগমীয়া কৰা বৰেণ্য কবি ৰবীন্দ্ৰ বৰাই অসমীয়া কবিতাৰ মাইলৰ খুঁটি হিচাপে পৰিগণিত হৈছে।

তেওঁ সৰ্বমুঠ চৌধ্যখন কাব্য সংকলন, চাৰিখন গল্প সংকলন আৰু এখন উপন্যাসেৰে সৈতে মহামূল্যবান গ্ৰন্থ ৰচনা কৰি গৈছে। কবিতা পুথি সমূহ হ'ল, কমাৰশালৰ বৃদ্ধজন, নিৰ্বাসিত সময়, শইচৰ মানুহ, অকলশৰীয়া ভয়, উত্তৰ প্ৰজন্ম, ৰাতি ভাঙি আহে, ক'ৰবাত ৰ'দৰ গান, মই পৰ্যটক (প্ৰকাশৰ পথত) সাহচৰ্য, ৰ'দৰ চৰাই, দীৰ্ঘদিনৰ প্ৰস্তুতিৰে আৰু তেখেতৰ গল্প সংকলন চাৰিখন হ'ল আলিদোমোজাত, পূৰ্বাপৰ, অকলশৰীয়া ভয় আৰু আকাশ য'ত হেৰালে। তেখেতৰ একমাত্ৰ উপন্যাস হ'ল "দ্ৰৌপদী" (ৰচনা কাল ১৯৯৬) বৰেণ্য কবি ৰবীন্দ্ৰ বৰা আধুনিক কবিতা সমালোচনাৰ এগৰাকী বিদগ্ধ পণ্ডিত আছিল। তেখেতে কবিতা সমালোচনা কৰোঁতে বিভিন্ন আধুনিক সমালোচনাৰ ধাৰা প্ৰয়োগ কৰি গঠন মূলক ভাবে সমালোচনা কৰিছিল। বিশেষকৈ তৰুণ বা অনুজ কবিসকলৰ কবিতাসমূহ তন্ন তন্নকৈ সমালোচনা কৰি কবিতা সৃষ্টিৰ বাটকটীয়া ৰূপে নিজকে প্ৰতিষ্ঠিত কৰিবলৈ সক্ষম হৈছিল। তেখেতে সমালোচনা কৰা কবিতাসমূহ একত্ৰিত কৰি অসম সাহিত্য সভাই " সাম্প্ৰতিক তৰুণৰ কবিতা " নামেৰে তেখেতৰ সম্পাদনাত প্ৰকাশ কৰিছিল।

কিন্তু, মূলতঃ ৰবীন্দ্ৰ বৰা আছিল এজন মনে প্ৰাণে কবি। তেখেতৰ প্ৰতিটো কবিতাত সুন্দৰ শব্দ-চয়নৰ প্ৰয়োগ, বাক্যৰ চমৎকাৰিত্ব আৰু সাম্প্ৰতিক যুগৰ স্বকীয় কাব্যশৈলী, যেনে- মুক্তক ছন্দ, স্পন্দিত গদ্য, ন ন উপমা, প্ৰতীক আৰু চিত্ৰকল্পৰ উপস্থাপন, জাপানী কবিতা হাইকুৰ সুন্দৰ নিদৰ্শন, ধৰ্মীয় মিথৰ সুপ্ৰয়োগ ইত্যাদি সকলো হাতত ধৰা ধৰি কৰি উজ্জীৱিত হৈ একো একোটা কবিতা ৰসময় সৃষ্টিৰ ধাৰক আৰু বাহক হৈ পৰিছে। তেখেতে যেতিয়া লিখে -

"কিছুমান নীৰৱ যন্ত্ৰণাৰ দহনত
মোৰ হৃদয়খন নিতৌ তাম
বৰণীয়া হয়। "

চিত্ৰকল্প আৰু প্ৰতীকক চুম্বকীয় প্ৰয়োগ!

এক অপ্ৰকাশ্য দহন; যিয়ে কবিৰ হৃদয়ৰ গোপন কোণত যেন দপদপকৈ জ্বলি থকাৰ উমান পোৱা গ'ল। যাৰ ফলত কবিৰ দহনত হৃদয়খন একেবাৰে তামবৰণীয়া অৰ্থাৎ ৰংহীন নিৰ্জীৱ হৈ পৰিছে। হৃদয়ৰ বেদনাক প্ৰকাশ কৰাৰ কি শক্তিশালী ভাৱাবেগ!

"কবিৰ শব্দবোৰৰ নখৰ আঁচোৰ" কবিতাটিত কবি ৰবীন্দ্ৰ বৰাই কোমল কোমল শব্দৰে ফুলৰ মালা গাঁথি বুকুৰ মাজেৰে বৈ থকা যন্ত্ৰণা প্ৰতিফলিত হৈছে।

" পলসৰ পৰা গজি উঠা
কিছুমান অশ্ৰুত শব্দৰ বুকুত
গুঁজৰি গুমৰি আছে
এজাক পছোৱা বতাহ
এখন উত্তাল নৈ।"

কবিৰ হৃদয়ৰ পলসুৱা পথাৰত যেন গজি উঠিছে কিছুমান অশ্ৰুসিক্ত শব্দ ; যিয়ে গুঁজৰি গুমৰি প্ৰৱাহিত হৈছে এজাক পছোৱা বতাহ আৰু এখন উত্তাল নৈ। এই কবিতা শাৰীৰ মাজত এখন ধুনীয়া চিত্ৰকল্পৰ উপস্থাপন হৈছে। অন্তৰৰ অন্তঃস্থলীৰ পৰা নিগৰি নিগৰি ওলোৱা যেন এটি বাংময় কৰুণ যন্ত্ৰণাৰ প্ৰতিচ্ছবি!

" দুখৰ দিনৰ কঠিন শব্দবোৰ" কবিতাটিত দুখৰ দিনৰ শব্দবোৰৰ এটি তীক্ষ্ণ ৰূপ ফুটি উঠিছে।

"যন্ত্ৰণাৰ কৰতেৰে কাটি চিঙি
পেলোৱা
বিক্ষিপ্ত চেতনাত
যেতিয়া জুই জ্বলে দপদপকৈ
আৰু সমগ্ৰ সত্তাৰ সিৰা
উপসিৰাইদি
বৈ যায় তেজৰ উষ্ণ ধাৰ।"

সাম্প্ৰতিক যুগৰ কাব্যিক চেতনাৰে সমৃদ্ধ কবিৰ কবিতাৰ প্ৰতিটো শাৰীত মুক্তক ছন্দ আৰু স্পন্দিত গদ্যৰ এক অনুপম প্ৰয়োগ হৈছে উপৰুক্ত কবিতাটিৰ শাৰী কেইটাত। গভীৰ যন্ত্ৰণাবোধে যেন বিশালকায় গা-গছক কৰতেৰে ৰেপি ৰেপি কাটি চিঙি টুকুৰা টুকুৰ কৰাৰ দৰে কবিৰ হৃদয়ৰ অন্তঃস্থলীৰ পৰা উদ্গীৰণ হোৱা বিক্ষিপ্ত আৰু উদভ্ৰান্ত চেতনাবোধে যেন দপদপকৈ জ্বলি জ্বলি কবিৰ মন-প্ৰাণ- আত্মা তথা সমগ্ৰ সত্তাৰ সিৰা উপসিৰাইদি প্ৰৱাহিত হৈছে তেজৰ উষ্ণ ধাৰ- হৃদয়ৰ যন্ত্ৰণাবোধক ইয়াতকৈ আৰু কোনো শক্তিশালী শব্দৰ ব্যঞ্জনাৰে সাৱলীলভাৱে উপস্থাপন কৰা অসম্ভৱ। মানৱতাবাদৰ জয়গান গোৱা কবিৰ কবিতা যেন স্বতঃস্ফূৰ্ত ফল্গুধাৰাৰ দৰে বৈ যায় চিৰ প্ৰৱহমান লুইতৰ দৰে। অসমীয়া ভাষাত পৰা কোমল কোমল শব্দৰে কবিয়ে প্ৰত্যেকটি কবিতাত স্বকীয় বৈশিষ্ট্যৰে প্ৰতীক, উপমা আৰু চিত্ৰকল্পৰ উপস্থাপনৰ মাধ্যমত অসমীয়া স্বাভিমানক অতি আকৰ্ষণীয় ভাৱে ফুটাই তুলিছে। ৰবীন্দ্ৰ বৰাৰ ইংৰাজী অনুদিত এটি কবিতাতো বিশ্বমানৰ ধ্যান ধাৰণা সুন্দৰকৈ ফুটি উঠিছে। কবিতাটি হ'ল

At the end of every-
thing
There's beginning
At this very beginning
The river of sorrow
Deposits silt
On either shore of my
heart
When the green valley
embraces tenderly
the dismal hues of
seasons.
I listen intently
to the humming of the
winds.
This is the reminiscence
of my past
Or the growling.

হৃদয়ত উদ্গীৰণ হোৱা তীব্ৰ মানসিক যন্ত্ৰণাক চিত্ৰকল্পৰ জৰিয়তে জীৱন্ত ৰূপত প্ৰকাশ কৰিবলৈ প্ৰয়াস কৰিছে ৰামধেনু যুগৰ শ্ৰেষ্ঠ কবি ৰবীন্দ্ৰ বৰাই।

সেয়ে বৰেণ্য কবি ৰবীন্দ্ৰ বৰাৰ কবিতাসমূহ যুগ-যুগান্তৰলৈকে অসমীয়া কাব্য-প্ৰাণ কবি, লেখকৰ মানস পটত জলজল-পটপটকৈ জিলিকি আছে আৰু থাকিব। এই গৰাকী অসম কবি সমাজৰ প্ৰাক্তন সভাপতি ৰবীন্দ্ৰ বৰাই ১৯৮৮ চনত অসম সাহিত্য সভাৰ বোকাখাত অধিবেশনৰ কবি সন্মিলনত সভাপতিত্ব কৰিছিল। আৰু ২০১২ চনত তেখেতে অসম সাহিত্য সভাৰ "ছগনলাল জৈন" বঁটা লাভ কৰিছিল।

এগৰাকী শ্ৰেষ্ঠ সমালোচক হিচাপেও গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱা ৰবীন্দ্ৰ বৰাই নতুন প্ৰজন্মক মাৰ্গ দৰ্শন কৰাৰ লগতে প্ৰতিষ্ঠাৰ বাট দেখুৱাই দিয়াত অহোপুৰুষাৰ্থ কৰিছিল। তেখেতৰ মৃত্যুৰ বাতৰি প্ৰচাৰ হোৱাৰ লগে লগে অসমৰ সাহিত্য সংস্কৃতিৰ জগতত এক শোকৰ ছাঁ পৰিছে ; অসমীয়া সমাজৰ চাৰিওফালে দুখৰ বিননি উঠিছে ; তেখেতৰ শূন্য স্থান পূৰ্ণ কৰিবলৈ অসমীয়া সাহিত্য জগতখনে বহুদিনলৈ অপেক্ষা কৰিব লাগিব। সেয়ে বিভিন্ন ৰাজনৈতিক, ৰাজনৈতিক দল-সংগঠন, সাহিত্য, কলা, কৃষ্টি আৰু সংস্কৃতিৰ ধাৰক বাহক সকলোৱে সাহিত্য মঞ্চ, অসম চমুকৈ "বহুবাক" ৰ প্ৰধান সম্পাদক দ্বীপক শৰ্মাই কোৱাৰ দৰে একবাক্যে দোহাৰিছে, "আমি হেৰুৱালো এজন নিভাঁজ কবিক। যিজনাৰ ৰন্ধ্ৰে ৰন্ধ্ৰে প্ৰবাহিত হৈছে কবিতা আৰু অসমপ্ৰীতি।"

সকলো অসমবাসীয়ে তেখেতৰ বিদেহ আত্মাৰ চিৰ শান্তি কামনা কৰি শোক-সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে।

# হঠাৎ দুৰ্ঘটনা

**বিশ্বজিৎ বৈশ্য,গুৱালকুছি,বংশৰ**




আমি নভৱাকৈয়ে দৈনন্দিন কামত কিছুমান আকস্মিক দুৰ্ঘটনা হৈ যায়। সময়ৰ গতি সলনি হোৱাৰ লগে লগে কোনো একো কাৰণ নোহোৱাকৈ যেন হৈ যায় দুৰ্ঘটনা। দিনটোৰ সময়বোৰ যেন একো একোটা ক্ষণৰ বিপৰিতে সৰু-বৰ দুৰ্ঘটনা শুনিবলৈ পোৱা দেখা যায়। ধেমেলীয়াকৈও হৈ যায় দুৰ্ঘটনা কিন্তু আমি গম নাপাও বা আওকাণ কৰো। চাব গলে কিন্তু সিও এক সৰু-বৰ দুৰ্ঘটনা স্বৰূপ। সঘনে আমি মটৰ চাইকেল, বাছ, স্কুটী, নাউ, জাহাজ ইত্যাদি বোৰত হোৱা দুৰ্ঘটনাৰ খবৰ শুনিবলৈ পাওঁ। দুৰ্ঘটনাৰ ফলত বহুতে বহুত হেৰুৱালে। সেইবোৰ চকুৰ পলকতে নভৱাকৈয়ে শেষ হৈ যায়। সময়বোৰ প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপুৰ কিয়নো সময়ৰ লগে লগে প্ৰকৃতিয়ে নিজে নিজে সলনি হোৱা দেখা যায়। ঠিক তেনেদৰে দুৰ্ঘটনা এক সময়ৰ আহ্বান, কাৰণ একো গম নোপোৱাকৈ সময়ৰ গতিত দুৰ্ঘটনা হৈ যায়। বিকট শব্দই হঠাৎ হোৱা ভয়ংকৰ দুৰ্ঘটনাৰ ওমান দিব পাৰে। এই সময়চোৱাত কিছু সাৱধানতা অৱলম্বন কৰাটো উচিত। সাৱধানতা আৰু ধৈৰ্যই হৈছে বিপদৰ পৰম গুণ।

# হৃদয়ৰ এৰাসুঁতিত প্ৰেমৰ গুণগুণনি

যুগান্ত দাস
ভৱানীপুৰ, বজালী

নীলাক্ষীৰ মনটো আজিৰ পৰা ত্ৰিশ বছৰ পিছলৈ ঘূৰি গ'ল ।চুটি চুটি চুলিৰে মৰম লগা এজনী দেখনিয়াৰ গাভৰু নীলাক্ষী চলিহা ।তাইৰ ওঁঠৰ এটি হাঁহিয়ে হাজাৰজন ডেকা ল'ৰাক মুহূৰ্তত ঘায়ল কৰি পেলাব পাৰে ।চাদৰ মেখেলা পিন্ধি তাই যেতিয়া কলেজৰ ভিতৰলৈ সোমাই যায়, গছৰ তলত বা কলেজৰ বাৰাণ্ডাত থিয় হৈ কথাত মচগুল হৈ থকা ল'ৰাবোৰে তাইলৈ ৰ' লাগি চায় ।তাইৰ দেহৰ ওপৰেৰে সিহঁতৰ আকুল চাৱনিবোৰ নিমিষতে বগাই যায় । তাইৰ বান্ধৱী সাগৰিকাই তাইৰ পেটৰ খালি ঠাইখিনিত বাওঁহাতেৰে চিকুট মাৰি তাইক কয়-" নীলা, চোৱা তোমাৰ ভক্তগণে কি চাৱনি মাৰিছে তোমালৈ । কাছ কেতিয়াবা কোনোবাই যদি এনেকুৱা চাৱনি মোৰ ফালেও দিলেহেতেন চাল্লা ।মা কচম লাজ কাজ পাহৰি সাৱটি ধৰিলোহেতেন দৌৰ মাৰি গৈ ।" সাগৰিকাৰ কথা শুনি নীলাক্ষীয়ে কয়-" মই কিবা সিহঁতক মোৰ ফালে চাবলৈ কৈছোঁ নেকি ? চাইছে, চাইছে । মই কি কৰিব লাগে ।" নীলাক্ষীয়ে আৰু কথা নবঢ়ালে ।তাই জানে সাগৰিকাৰ স্বভাৱ । যিহে লাজ নোহোৱা ছোৱালী মুহূৰ্ততে চিঞৰি চিঞৰি কিবা এযাৰ কোৱাটো একো ডাঙৰ কথা নহয় তাইৰ বাবে ।

নীলাক্ষী ঘৰৰ সকলোৰে বৰ আদৰৰ ।আদৰৰ নহ'বয়েনো কিয়! তিনিজন ককায়েক ভায়েকৰ মাজত একমাত্ৰ ছোৱালী বুলিবলৈ নীলাক্ষীয়ে। বাপেকৰ কথাটো আৰু সুকীয়া। জীয়েকৰ গাত সাধাৰণ মাখি এটা পৰিলেও হুলস্থুল লগাই দিয়ে।সৰুৰে পৰাই তাই পঢ়াশুনাত চোকা আছিল। সকলোৰেই আশা কৰা ধৰণেই তাই মেট্ৰিক পৰীক্ষাত সফলতাৰে পাছ কৰিবলৈ সক্ষম হৈছিল। দেউতাকে চহৰৰ আগশাৰীৰ কলেজ এখনত বিজ্ঞান শাখাত নীলাক্ষীক নাম লগাই দিলে। স্ফীত বুকু, খামুচীয়া কঁকাল আৰু চুটি চুটি কেকোৰা চুলিৰে নীলাক্ষী অপূৰ্ব সুন্দৰী। চাদৰৰ ফাঁকেৰে ওলাই থকা তাইৰ সুগভীৰ নাভি দেখি উফ বুলি উচ্চাৰণ নকৰা ডেকা কলেজত হয়তো এজনো নোলাব। সহপাঠী, চিনিয়ৰ, জুনিয়ৰ সকলো ল'ৰাই তাইৰ দিৱানা।কিন্তু কোনেও মুখ ফুটাই তাইক আজিলৈকে প্ৰপ'জ কৰাৰ সাহস কৰা নাই। তাইও নজনা নহয় প্ৰশান্ত, অম্লান, নিৰ্বাণ, বিকাশহঁতে যে তাইক চাবলৈকে কলেজৰ গেটৰ ওচৰত বাহৰ পাতি থাকে। পিছে নীলাক্ষীৰ সেইবোৰলৈ মুঠেই কাণসাৰ নাই। তাইৰ জীৱনটো যেন পঢ়িবলৈহে ।পঢ়াৰ বাহিৰে তাইৰ আন কথা ভাবিবলৈ আহৰি নাই ।কথাই কথাই এদিন সাগৰিকাই তাইক সুধিয়ে দিছিল-" কি অ! তোৰ দেহ মনত কামনা বাসনা বুলি একো অনুভূতিয়ে নাই নেকি ? ইমান সোপা ডেকা ল'ৰা তোৰ বাবে বলিয়া, তোৰ কি কাকো ভাল নালাগে । তই বাৰু শিলৰ নে কাঠৰ যে তোৰ দেহত যৌৱনৰ পিৰপিৰণি বোলা বস্তুটো নুঠে ।" তাই একো উত্তৰ দিয়া নাছিল।তাই মৌন হৈ থকা দেখি সাগৰিকাই পুনৰ কৈছিল-" নে স্কুলতে কাৰোবাক মন প্ৰাণ দি থৈছ । " "যা এইজনী"- বুলি কৈ তাই সাগৰিকাৰ ওচৰৰ পৰা আঁতৰি আহিছিল ।

পঢ়া শুনাক লৈ ব্যস্ত থাকোতে নীলাক্ষীৰ কলেজ লাইফৰ মাদকতা উপভোগ কৰাই নহ'ল। কলেজৰ শ্ৰেণী কোঠা, ব্লেক বোৰ্ড, কিতাপ বহী এইবোৰেই চিনি পাইছিল ।এইবোৰৰ বাহিৰেও যে আৰু কিবা থাকিব পাৰে সেয়া তাই কল্পনায়ে কৰা নাছিল । হয়তো দেউতাক আৰু ককায়েকহঁতৰ মৰম নতুবা তাই নিজৰ মাজতে সংকুচিত হৈ থকা স্বভাৱটোৰ বাবেই কাৰো প্ৰেমত পৰায়ে নহ'ল। তাইৰ বিয়াখনো আচৰিত ধৰণেই হৈ গৈছিল।হঠাৎ এদিন জয়ন্তই তাইৰ দেউতাকৰ ওচৰত বিয়াৰ প্ৰস্তাৱ ৰাখিছিল। তাইৰ দেউতাক আৰু ককায়েকহঁতে একেবাৰে সেই প্ৰস্তাৱ নাকচ কৰিছিল। সেইদিনা জয়ন্ত সিহঁতৰ ঘৰৰ পৰা বিমৰ্ষ মনেৰে আঁতৰি গৈছিল। যোৱাৰ সময়ত তাইলৈ বৰ কৰুণ দৃষ্টিৰে একেথৰে চাইছিল ।তাৰ দৃষ্টিয়ে সেই সময়ত তাইৰ মনত কোনো বিশেষ প্ৰতিক্ৰিয়া সৃষ্টি কৰিব পৰা নাছিল ।এটা সাধাৰণ ঘটনা বুলি তাই ধৰি লৈছিল। জয়ন্ত যোৱাৰ পিছত কোনোদিনে সিহঁতৰ ঘৰত তাইৰ বিয়াৰ কথা ওলোৱা নাছিল। দেউতাকৰ কথাত তাই বুজি পাইছিল যে দেউতাকে পৰাপক্ষত তাইক জয়ন্তৰ হাত নগতায়। এদিন তাইও স্কুল এখনত শিক্ষকৰ চাকৰিত যোগদান কৰিলে ।

ইফালে জয়ন্ত নীলাক্ষীৰ দেউতাকৰ পৰা প্ৰত্যাখিত হৈ একপ্ৰকাৰ দেৱদাস হৈ পৰিল। নীলাক্ষীয়ে স্কুললৈ অহা যোৱা কৰা সময়খিনিত সি তাইক চাবলৈ চোপ দি থাকে। তাইক এবাৰ দেখিলেহে যেন তাৰ দিনটোৱে গতি কৰে।নহ'লে যেন তাৰ চৌপাশৰ পৃথিৱীখনেই স্থবিৰ হৈ পৰে । নীলাক্ষীৰ বান্ধৱী কেইজনীৰ ওচৰতো সি খাটনি ধৰে । কিবাকৈ নীলাক্ষীক তাৰ লগত বিয়া হ'বলৈ মান্তি কৰাবলৈ ।তাৰ বাবে যেন নীলাক্ষী নহ'লে জীৱনটোৱেই অসাৰ । এজন শান্ত, সুস্থিৰ ডেকাৰ এই আকুলতাত নীলাক্ষীৰ মনটো ক্ৰমাৎ কোমল হৈ আহে। তাই অৱশ্যে নিশ্চিত নহয় এয়া কি! এয়া তাৰ ভালপোৱা নে তাইৰ শৰীৰটোৰ প্ৰতি জাগি উঠা তাৰ আকৰ্ষণ । কি হ'ব পাৰে বাৰু ? প্ৰেম নেকি ? প্ৰেম মানে নো কি তাই দেখোন কোনোদিনে অনুধাৱনেই নকৰিলে ? তাইনো কেনেকৈ ক'ব প্ৰেম নে কি ? দিনক দিনে জয়ন্তৰ তাইৰ প্ৰতি অনুৰাগ বাঢ়ি যোৱাৰ উমান তাইও যেন অনুভৱ কৰিবলৈ ধৰিলে। এদিন তাই এটা সিদ্ধান্তত উপনীত হ'ল ।এদিন নহয় এদিনতো কাৰোবাৰ লগত নহয় কাৰোবাৰ লগত তাই বিয়া হ'বয়ে লাগিব । গতিকে জয়ন্তৰ লগতে বিয়া হোৱাত নো কি আপত্তি। জয়ন্ত ল'ৰাজনো বেয়া নহয়। তাতে তাৰ এটা ভাল চাকৰিও আছে ।তাইৰ বাৰু তাৰ প্ৰতি প্ৰেম নাইয়ে, কিন্তু তাৰ কষ্ট খিনিও তাই দেখোন সহ্য কৰিব পৰা নাই। আৰু এইটোও নহয় যে যাৰ লগত প্ৰেম হ'ব তাৰ লগতেই যে বিয়া হ'ব লাগিব ।কলেজতে কাৰো লগত প্ৰেম নহ'ল আৰু এতিয়া বাৰু তাইৰ কাৰ লগত প্ৰেম হ'ব।এদিন তাই জয়ন্তক তাৰ লগত বিয়া হ'ব বুলি কথা দিলে ।

আচলতে নীলাক্ষীয়ে নিজকে কেতিয়াও ভালদৰে জুমিয়ে নাচালে ।তাই কি বিচাৰে, কি নিবিচাৰে ? এটা গতানুগতিক জীৱন কটাই গৈছে । জীৱনটো যেন এটা গণিত । যেতিয়া তাই জয়ন্তৰ লগত বিয়া হ'ম বুলি দেউতাকক কৈছিল তেতিয়া দেউতাক জকজকাই উঠিছিল । তেওঁ কোনোপধ্যেই মানি ল'ব পৰা নাছিল তাইৰ এই সিদ্ধান্তক ।কিন্তু এদিন তাইৰ সিদ্ধান্ত মানি লৈছিল দেউতাকে তাইৰ দৃঢ়তা দেখি ।দেউতাকে তাইক কৈছিল -" তুমি যদি তাৰ লগতে বিয়া হ'ব বিচাৰিছা হোৱা । কিন্তু এটা কথা ঠিক আমাৰ মনত কিছু হ'লেও খেদ ৰৈ যাব । কাৰণ প্ৰথম দিনাৰ পৰাই আমি তাক তোমাৰ বাবে গ্ৰহণ কৰা নাই অন্তঃকৰণেৰে । কিন্তু এইটোও ঠিক যে তোমাৰ অশান্তিকৰি আমি আনৰ লগতো বিয়া নিদিওঁ । তথাপিও কথাবোৰ এবাৰ আকৌ চিন্তা কৰি চাবা মাজনী । জীৱন নামৰ উকা কাগজখনত এবাৰ



এযাৰ কথা লিখিলে তাক পিছত মচি নতুনকৈ লিখিব নোৱাৰি ।"

পঁচিশ বছৰ তাই জয়ন্তৰ লগত কটালে । এই পঁচিশ বছৰে তাই এটা কথা বুজি নাপালে আচলতে তাই কিহৰ তাড়নাত জয়ন্তৰ লগত বিয়াত বহিছিল। জয়ন্তই তাইক আজিলৈকে কোনোদিনে এযাৰ টান কথা কৈ পোৱা নাই । তাই যেতিয়া নবীয়াত পৰে সি উদগ্ৰীৱ হৈ পৰে। এটা কথা তাই ভালকৈ বুজি উঠিছিল যে জয়ন্তই তাইক খুব ভাল পায়। কিন্তু তাই ? তাই বাৰু জয়ন্তক ভালপায় নে ? পাক লগা কথাবোৰে তাইৰ মূৰৰ ভিতৰত তোলপাৰ লগাই থাকে। কিয় এনে হয় তাইৰ, তাই নিজেই নাজানে । কোনো এটা কথাৰে কিয় তাই সঠিক উত্তৰ উলিয়াব নোৱাৰে? তাইৰ নিজৰ ওপৰত কি তিলমাত্ৰও ভৰসা নাই নেকি ? তাই কিয় ক'ব নোৱাৰে অন্তঃকৰণেৰে যে হয় তাই জয়ন্তক ভাল পায়। পঁচিশ বছৰ এজন মানুহৰ লগত কটাই দুটাকৈ সন্তানৰ মাতৃ হৈ উঠাৰ পিছতো তাই কিয় বুকু দাঠি ক'ব পৰা নাই "মই জয়ন্তক ভালপাওঁ।" ফুলশয্যাৰ নিশাও তাই বহুবাৰ নিজকে সুধি চাইছিল একেখিনি কথাকে। যেতিয়া জয়ন্তই তাইক নিবিৰ ভাৱে পাব বিচাৰিছিল তাই ভিতৰি ভিতৰি এক অসহজবোধ অনুভৱ কৰিছিল।

আগলৈ....

# বীৰ জোৱান

অনামিকা (সংগীতা)কলিতা



হে মোৰ দেশৰ বীৰ জোৱান
তোমাৰ সাহসত আই মাতৃৰ
বুকুত উৰে বিজয় ধ্বজা,
তোমাৰ মাত শুনি আহিছোঁ ওলাই
কেনেকৈ স্বাগতম জনাওঁ
ক'বলৈ ভাষা যে নাই ।
সীমান্তৰ প্ৰহৰী তুমি
ক'ত, উজাগৰী নিশা জীৱনৰ লগৰী,
তুষাৰৰ লগত হিম্ কণাৰ নাচোন,
হেঁলাৰঙে যুঁজি আই মাতৃৰ হ'লা
বুকুৰ আপোন ।
আইৰ বুকুত তপত তেজৰ চেঁকুৰা
পৰ্বত শিখৰত শত্ৰু জয়ৰ আখৰা,
হেজাৰ জনৰ ত্যাগৰ বন্তিগছি
জ্বলাই ৰাখিম আজীৱন তোমাৰ বেদীত।
জল, স্থল আৰু বায়ু একাকী
চৌদিশে আৱৰি প্ৰগতিৰ জয়ৰ উল্লাস,
মানৱতাৰ আচলত তুমিতো জাগ্ৰত প্ৰহৰী
শতবাৰ প্ৰণাম জনাওঁ।





অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

# স্বাধীনতা দিৱস নে উৎসৱ ?

**শৈলেন কুমাৰ, মিৰ্জা**



এটা সময় আছিল যেতিয়া স্বাধীনতা দিৱসৰ দিনটোত আমাৰ দেহমন দেশভক্তিৰে ভৰি পৰিছিল। সেইসময়ত স্কুল আৰু অন্য প্ৰশাসনিক কাৰ্য্যালয় সমূহত জাতীয় পতাকা উত্তোলনকে আদি কৰি বিভিন্ন দেশভক্তি মূলক কাৰ্য্যসূচী উদযাপন কৰা হৈছিল। তেতিয়া স্বাধীনতা দিৱসৰ দিনটোৰ এক সুকীয়া মাদকতা আছিল। এতিয়া স্বাধীনতা দিৱসৰ দিনটো উৎসৱত ৰূপান্তৰিত হ'ল। স্বাধীনতাৰ মৰ্ম নজনা বহুতে ১৫ আগষ্টৰ দিনা হাতেহাতে পতাকা লৈ "ভাৰত মাতা কী জয়" বুলি শ্লোগান দিয়ে। কিছুমানে আকৌ ১৫ আগষ্ট ১৯৪৭ চনত ভাৰত দেশ স্বাধীন হৈছিল সেয়াও নেজানে। বহুতৰে মতে স্বাধীনতা দিৱস বন্ধৰ দিন ঘূৰিফুৰি ফূৰ্তি কৰি আনন্দত মতলীয়া হ'ব লাগে। জনমানসত বৰ্তমান সময়ত স্বাধীনতা দিৱসৰ এয়াই প্ৰকৃত ছবি। কেতিয়াবা এনে অনুভৱ হয় আমি স্বাধীন নে পৰাধীন ? কাৰণ স্বাধীন দেশত স্বাধীনতা দিৱসৰ অৰ্থ অনৰ্থক । আজি যদি স্বাধীনতা সংগ্ৰামী সকলে দেশৰ এনে দুৰৱস্থা দেখিলে হে তেতিয়া হ'লে নিশ্চিতভাৱে দেশৰ বাবে প্ৰাণ আহুতি দিয়াটো অৰ্থহীন বুলি ভাবিলে হে । যুৱপ্ৰজন্ম এতিয়া পৰাধীনতাৰ নিচাহত আসক্ত, আমাক এনেদৰে জীয়াই ৰখা হৈছে য'ত উশাহনিশাহ পৰ্যন্ত শোষণকাৰীহঁতৰ হাতৰ মুঠিত । সিহঁতে যিটো আদৰ্শ দেখুৱাইছে আমি সেইফালেই দৌৰিছোঁ কিন্তু আমি নিজকে স্বাধীন বুলি মিছা আশ্বাস লৈ জীয়াই থকাৰ অভিনয় কৰাত ব্যস্ত । আমি এলেহুৱা তাৰবাবে আমি পৰাধীন, আমি লুভীয়া, আমাৰ দেহমন কামুকতাৰে লিপ্ত, আমি যধামূৰ্খ তাৰবাবে আমি শোষিত। স্বাধীন দেশত পৰাধীনতাৰ স্বচ্ছ। যেতিয়ালৈকে আমি নিজে নিজক মুক্ত আৰু স্বাধীন কৰিব নোৱাৰোঁ তেতিয়ালৈকে স্বাধীনতা দিৱস নহয় উৎসৱ হৈয়েই থাকিব । নিজস্ব বান্ধোন বোৰ চিনাক্ত কৰি বান্ধোন মুক্ত হৈ জীৱন কটোৱা মানে স্বাধীনতাৰ বাস্তৱিক মৰ্ম । ভগৎ সিং, কনকলতা, কুশল কোঁৱৰ আদি বোৰে জানিছিল পৰাধীনতা আমাৰ বাস্তৱিক সত্ত্বা নহয় বৰঞ্চ স্বাধীনতা আৰু মুক্তি আমাৰ কাম্য যাৰবাবে দেশৰ বাবে স্বাধীনতা আৰু মুক্তিৰ অৰ্থে নিজস্ব প্ৰাণ আহুতি দিবলৈ কুণ্ঠাবোধ কৰা নাছিল। তেওঁলোক প্ৰকৃত দেশভক্ত আৰু আমি অন্ধভক্ত। দেশভক্তিয়ে সংগ্ৰাম বিচাৰে আৰু অন্ধভক্তিত সমৰ্পিত হৈ শৰণাপন্ন হোৱা যায়। স্বাধীনতা দিৱস হৈছে দেশমাতৃৰ বাবে দেশভক্তিৰ বাবে প্ৰাণ আহুতি দিয়া স্বাধীনতা সংগ্ৰামীসকলক স্মৰণ কৰাৰ দিন। আহক আমি সকলোৱে এইবেলি স্বাধীনতা দিৱসৰ দিনটো ঘূৰিফুৰি মনোৰঞ্জন নকৰি স্বাধীনতা সংগ্ৰামী বীৰসকলৰ বীৰত্বৰ গাথা স্মৰণ কৰোঁ।

# প্ৰাচীন ভাৰতীয় জ্যোতিৰ্বিদ বৰাহমিহিৰ

**বন্দিতা শৰ্মা কন্দলি, দেৰগাঁও**



বৰাহমিহিৰে গণিত, জ্যোতিষ, ভূগোল, প্ৰাণী বিজ্ঞান, জ্যোতিৰ্বিজ্ঞান আদি বিজ্ঞানৰ কেইবাটাও দিশত বিশিষ্ট অৱদান আগবঢ়াই প্ৰাচীন ভাৰতক উচ্চ আসনত প্ৰতিষ্ঠা কৰি থৈ গৈছে। বৰাহমিহিৰ আছিল অৱন্তীৰ (উজ্জয়িনী) লোক। ইতিহাসবিদ সকলৰ মতে তেওঁ প্ৰথমে মগধত (বৰ্তমান বিহাৰত) আৰু পাছত উজ্জয়িনীত (বৰ্তমান মধ্যপ্ৰদেশত) বাস কৰিছিল। বৰাহমিহিৰে তেওঁৰ আত্মপৰিচয়ত খ্ৰীষ্টীয় ষষ্ঠ শতিকাত জন্ম গ্ৰহণ কৰিছিল আৰু তেওঁৰ পিতৃ আদিত্য দাস বুলি উল্লেখ কৰিছে। তেওঁ সূৰ্যৰ বৰ লাভ কৰিছিল বুলিও জনশ্ৰুতি আছে।

বৰাহমিহিৰে তেওঁৰ আগৰ মনীষী সকলে লিখি থৈ যোৱা প্ৰাসংগিক গ্ৰন্থ অধ্যয়ন কৰিহে তেওঁৰ গ্ৰন্থ সমূহ ৰচনা কৰিছিল। তেওঁৰ ৰচনা সমূহ পদ্য আৰু ছন্দই আকৰ্ষণীয় কৰি তুলিছিল। বৰাহমিহিৰে প্ৰকৃততে কিমান গ্ৰন্থ ৰচনা কৰিছিল তাৰ সঠিক ৰূপ পোৱা নাযায় যদিও উল্লেখযোগ্য গ্ৰন্থ কেইখন হৈছে বৃহৎ সংহিতা, বৃহৎ জাতক, লঘু জাতক, যাত্ৰা, পঞ্চ সিদ্ধান্তিকা, বিবাহ পটল আদি।

'বৃহৎ সংহিতা' বৰাহমিহিৰৰ এখন অতি মূল্যৱান গ্ৰন্থ। এই গ্ৰন্থখনত ১০৬ টা অধ্যায়ত ৪০০০ শ্লোকেৰে গ্ৰহ বোৰৰ গতি, মানুহৰ জীৱনৰ প্ৰাকৃতিক পৰিঘটনা, ভূগোল, অস্ত্ৰৰ লক্ষণ, স্থাপত্যবিদ্যা, প্ৰসাদৰ প্ৰস্তুতি, বৃক্ষায়ুৰ্বেদ (উদ্ভিদ বিজ্ঞান), মূল্যৱান ৰত্নৰ বিজ্ঞান আদিৰে সমৃদ্ধ এক বৃহৎ বিশ্বকোষ।

"পঞ্চ সিদ্ধান্তিকা" হৈছে বৰাহমিহিৰৰ এখন সুপ্ৰসিদ্ধ গ্ৰন্থ। সেই সময়ত প্ৰচলিত পাঁচখন জ্যোতিষ সিদ্ধান্ত গ্ৰন্থ যেনে সূৰ্য সিদ্ধান্ত, ৰোমক সিদ্ধান্ত, পৌলিংগ সিদ্ধান্ত, বশিষ্ঠ সিদ্ধান্ত আৰু পিতামহ সিদ্ধান্তৰ সাৰভাগ লৈ "পঞ্চ সিদ্ধান্তিকা" গ্ৰন্থ সংকলন কৰে। প্ৰাচীন ভাৰতীয়ৰ জ্ঞান- ভাণ্ডাৰ তেওঁ সেই গ্ৰন্থৰ দ্বাৰা ধৰি ৰাখিলে। "বৃহৎ জাতক" গ্ৰন্থখন হৈছে ভাগ্য গণনা অৰ্থাৎ জ্যোতিষ বিষয়ক গ্ৰন্থ। বৈজ্ঞানিক চৰ্চাৰ কোনো ধৰণৰ পদ্ধতি আৰু সুবিধা নথকা সময়ত বৰাহমিহিৰে বিজ্ঞানৰ চৰ্চা কৰি উত্তৰ পুৰুষলৈ চানেকি ৰাখি গ'ল।

# জীৱন

**বন্দনা চৌধুৰী, গুৱাহাটী**



জীৱন জীৱন
বৰ অনুপম
এই জীৱনে
কন্দুৱায় বুকুৰ মাজত
যন্ত্ৰণা সামৰি।
এই জীৱনে
হুঁহুৱাই বুকুৰ মাজত
আনন্দৰ জোৱাৰ তুলি।
হাঁহি আৰু চকুলো সামৰিয়েই
আমাৰ জীৱন
দূৰ সীমনাত ৰৈ
আমি নিজকে চাই ৰওঁ
বিন্দুৰ পৰাই
আমি গতি কৰোঁ সিন্ধুলৈ..
এটা অবিৰত যাত্ৰাৰে।
এই জীৱনে শিকায়
ভাল-বেয়াৰ সংমিশ্ৰণৰ
গতিপথেৰে
জীৱনৰ উপলব্ধিৰ ধাৰণা
অৰ্থ, স্বাৰ্থ, ভোগ-বিলাসৰ
লালসাতকৈও আমি যদি
চহকী হওঁ
মানৱতা আৰু নৈতিকতাৰ
সুসংস্কাৰেৰে
মৃত্যুৰ পিছতো আমি তেহে
মানুহৰ মাজত গঢ়িব পাৰিম
জীয়াই থকাৰ পথ
কচুপাতৰ পানী সদৃশ
এই জীৱন কেৱল
স্বাৰ্থ পূৰণৰ বাবে নহয়
এয়া যে দেশৰ বাবে,
দহৰ উপকাৰ হকে।

অণুগল্প

# বিচ্ছেদ

**ৰশ্মি ৰেখা দুৱৰা, ডিব্ৰুগড়**



অসহায়! তাই বাৰুকৈয়ে অসহায়। দেউতাকে তাইৰ লগত সম্বন্ধ বিচ্ছেদ কৰিলে। মাকে হাজাৰবাৰ তাইৰ মুখখন চাব খুজিও ব্যৰ্থ হয়। তাই দেউতাকৰ অমতত বিয়া হৈ যোৱাৰ বাবেই তিল তিলকৈ ভোগিছে।

পঢ়াত ভাল। মেধাৱী ছাত্ৰী আছিল। সকলো দিশতে পাৰ্গত। তাই নভবাকৈ সকলোখিনি হৈ গ'ল।

শোকে খুন্দা মাৰি ধৰিলেও চকুৰে চকুৰ পানী বাহিৰ হোৱা নাই। বুকুখন বৰ জোৰেৰে বিষাইছে।

# আমাৰ মানৱ জীৱন কিমান যে মনোৰম



**চন্দ্ৰ শেখৰ পৰাজুলী বিশ্বনাথ চাৰিআলি**

আমি বেচিভাগ মানুহে নিজৰ জীৱনক লৈ বৰ উদাসীন হৈ পৰোঁ। ইয়াৰ একমাত্ৰ কাৰণ হল আমি নিজৰ মাজতে ব্যস্ত হৈ থকাতকৈ বা নিজকে আগুৱাই নিয়াৰ প্ৰচেষ্টা অব্যাহত নকৰাকৈ কেৱল আমি আনৰ জীৱন বা অন্যান্য মানুহে জীৱনত পোৱা সফলতাবোৰৰ পৰা এক নকাৰাত্মক মনোভাৱৰ সৃষ্টি কৰি লওঁ।ইয়াৰ ফলত আমি প্ৰতিজন মানুহৰ জীৱনত সফলতাৰ মাৰ্গত তথা এক সুখী জীৱন মাৰ্গত বহুত ডাঙৰ বাধা উৎপন্ন হোৱা দেখা যায়। কিন্তু আমাৰ মানৱ জীৱন কিমান যে মনোৰম ইয়াক সামান্য এক সৰু এক উদাহৰণ সহকাৰে বুজিবলৈ চেষ্টা কৰোঁ আহক।এবাৰ এজনী অংগচ্ছেদ অৰ্থাৎ দুয়োখন ভৰিয়ে বিচ্ছেদ হোৱা ছোৱালী এজনী নগৰৰ মাজৰ ৰাস্তা এখন পাৰ হৈ অন্যকাষে পাবলৈ চেষ্টা আৰম্ভ কৰিলে। কিন্তু ৰাস্তাৰ মাজেৰে যানবাহন ইমানেই সঘনাই আৰু বহু বেগেৰে গতি কৰি থকাৰ ফলত তাই কিছুপৰ থকমি থাকিব লগিয়া হল।তাৰেই কিছুসময় ব্যতিত হোৱাৰ পিছত আকৌ ৰাস্তাৰ সিপাৰলৈ যাবলৈ চেষ্টা কৰিলে।কিন্তু ঠিক তেতিয়াই সেই আগৰ দৰে দ্ৰুত গতিত গাড়ী, মটৰ চাইকেল ৰাস্তাত চলাচল কৰি থকা দেখি পুনৰ এবাৰ থমকি ৰব লগা হল। অতি মাত্ৰাত গৰম পৰাৰ ফলত ছোৱালী গৰাকীৰ সমস্ত শৰীৰ ঘামি দুৰ্গন্দ হৈ পৰিছে। লগতে অতিমাত্ৰাত পিয়াহ লগাৰ ফলত হাত, মুখ শুকাই পৰিছে। ছোৱালী গৰাকীৰ এনে অবস্থা ৰাস্তাত খোজকাঢ়ি অহা যোৱা কৰা কিছুমান মানুহে লক্ষ্য কৰিছে যদিও আওকাণ কৰি নিজ নিজ লক্ষ্যৰ দিশে আগুৱাই গৈছে। তথাপিও ছোৱালী গৰাকীয়ে ৰাস্তা সিপাৰে পাবলৈ অপ্ৰাণ চেষ্টা চলাই গৈছে।এইবাৰ আকৌ এবাৰ আগতকৈ দুগুণ সাহসেৰে চুচুৰি, চুচুৰি কিছুদূৰ অতিৰিক্ত কৰিবলৈ সক্ষম হৈছিলেহি এনেতে ছোৱালী গৰাকীৰ সন্মুখৰ পৰা অতি প্ৰচণ্ড বেগেৰে ডাঙৰ এটা বাছগাড়ী অহা দেখি পিছুৱাই আগৰ ঠাইখনতে উভতি আহিবলৈ বাধ্য হল। ছোৱালী গৰাকীয়ে বহু চেষ্টাৰ অন্ততো ৰাস্তা পাৰ হবলৈ সফল নোহোৱাত ৰাস্তাৰে খোজা কাঢ়ি চলা-ফুৰা কৰা মানুহবোৰৰ পৰা সহায়ৰ হাত বিচাৰিবলৈ প্ৰয়ত্ন কৰিলে। কিন্তু ইমানেই স্বাৰ্থপৰ মানুহবোৰ কোনো এজনে ছোৱালী গৰাকীৰ কথাত গুৰুত্ব প্ৰদান নকৰিলে। ইফালে আকৌ প্ৰচণ্ড মাত্ৰাত পিয়াহ বাঢ়িবলৈ ধৰিছে। ছোৱালী গৰাকীৰ মুৰৰ ঠিক ওপৰতে সূৰ্য দেৱতায়ে যেন এক নৃত্য নাটিকা কৰিছে।অসহায় ছোৱালী গৰাকীৰ তাতেই কিছু চকু বন্দ কৰি জিৰণি ললে। কিন্তু যি যেনেকৈ হয় তেখেতে সিপাৰলৈ পাবগৈ লাগিব কাৰণ নিজ আশ্ৰয় থলিত সেই মাৰ্গৰে গতি কৰি যাব লাগিব। কিছুপৰ জিৰণি লোৱাৰ পিছত আকৌ এবাৰ ৰাস্তাৰে অহা যোৱা গাড়ীবোৰক লক্ষ্য কৰি আগুৱাই যোৱাৰ চেষ্টা কৰিবলৈ ধৰিলে।চব ঠিকেই আছে ছোৱালী গৰাকীয়ে ভবা মতেই তেতিয়া গাড়ীবোৰ কিছু পাতলকৈ চলিছে। কিন্তু এনেতে ১০৮ গাড়ী এটা ৰঙা বাতি জ্বলাই ডাঙৰ ডাঙৰ শব্দ কৰি ছোৱালী গৰাকীৰ সন্মুখেদি আহি থকা দেখিলে।তেতিয়া আৰু প্ৰাণৰ ভয়তে আগুৱাই যাবলৈ অসুবিধা হোৱাত পুনৰ এবাৰ আগৰে ঠাইখনতে ঘুৰি আহিব লগিয়া হল। ছোৱালীয়ে এইবাৰ হুকহুকাই কান্দি উঠিল আৰু ভাবিবলৈ ধৰিলে মোৰ যদি অন্যান্য সুস্থ সবল মানুহৰ দৰে ভৰি দুখন নোহোৱাৰ ফলত কত কিমান যে অসুবিধা হৈছে। সুস্থ সবল শৰীৰ হোৱা হলে নিজে উপাৰ্জন কৰি জীৱন নিৰ্বাহৰ বাবে সক্ষম হলো হয়। দুখন ভৰিত বৰ ধুনীয়া ধুনীয়া জোতা পিন্ধিবলৈ পালোঁ হয়। গাড়ী, মটৰ চাইকেল কিনাৰ যদি ক্ষমতা নথাকিলেও কথানাছিল অন্যান্য সামান্য মানুহৰ দৰে খোজ কাঢ়ি বা বাচ গাড়ীৰে কত কত ঘূৰি-ফুৰিবলৈ পালোহেতেন।আৰ্থিকভাৱে সক্ষম নহলেও নিজে উপাৰ্জন কৰি নিজকে যিমান দূৰ সক্ষম শিক্ষিত কৰি তুলিবলৈ চেষ্টা কৰিলো হেতেন। কেৱল মাত্ৰ ভৰি দুখন নথকাৰ বাবে মই আজি নিজা সংসাৰ গঠনত অসমৰ্থ হৈছোঁ। মোৰ এজন ধুনীয়া স্বামী আৰু সৰু, সৰু কণমানি সন্তান হলহেতেন। যাৰ সন্মুখত বহি হয়তো পৃথিৱীৰ সমস্ত সুখবোৰৰ অনুভৱ কৰিলো হয়। এনেতে ছোৱালী জনীয়ে সপোনৰ পৃথিৱীৰ পৰা বাস্তৱ জীৱনলৈ ঘুৰি আহিল। আচলতে তাইৰ গোটেই জীৱনেই এক প্ৰত্যাহ্বান তথাপিও বৰ্তমান সময়ত ৰাস্তাৰ সিপাৰলৈ পোৱাৰ এক আংশিক ৰূপত কিছু প্ৰত্যাহ্বান সৃষ্টি হৈ আছে। আৰু তাই এইটোও নাজানে ইয়াৰ অন্ত কেনেকৈ পৰিব। সেয়েহে পুনৰ এবাৰ চুচুৰি বাগৰি আগুৱাই যোৱাৰ যত্ন কৰিছে। দৰাচলতে এতিয়া আমি সুস্থ সবল মানুহবোৰে এবাৰ ভাবিছোৱা উচিত যে, এনেকুৱা ধৰণৰ পৰিস্থিতিৰ সন্মুখীন হোৱা মানুহৰ মাজত কিমান যে প্ৰত্যাহ্বানৰ সৃষ্টি হব পাৰে। তথাপিও তেনেকুৱা ধৰণৰ অসহায় ব্যক্তি সকলৰ মুখত প্ৰায়ে হাঁহিৰ খিলিকিলি ফুটি উঠা দেখা যায়। আমি হয়তো বহুতেই এই লিখনি ভাগত একেখিনি বিষয়ে ঘুৰাই ঘুৰাই লিখি যোৱাৰ বাবে পঢ়িবলৈও হয়তো আমনি অনুভৱ কৰিছিলোঁ নহয়নে? কিন্তু ভাবিচাবচোন এনেধৰণৰ অসহায় মানুহৰ জীৱন সংগ্ৰামৰ কথাবোৰ। আমি যে কিমান ভাগ্যবান ব্যক্তি। কাৰণ আমাৰ হাতত অইন একো নহলেও এক সুস্থ-সবল শৰীৰ আমাৰ লগত আছে। গতিকে কেতিয়াবা একান্ততে বহি কল্পনা কৰি চাবচোন আমাৰ মানৱ জীৱন কিমান যে মনোৰম।

# পিতাইলৈ চিঠি

**কল্পনা বৰা,গোলাঘাট**



এৰা! ধৰোঁ বুলিয়েই সময়বোৰক জানো ধৰি ৰাখিব পাৰি? নে নিজৰ ইচ্ছানুযায়ী পাখি লগা সময়ক নিজৰ লগত লৈ যাব পাৰি! ওহোঁ, প্ৰহেলিকাই আজিও বুজি নাপায় ভাগ্য আৰু সময়ৰ খেলক।তাই বিশ্বাস কৰে -কেতিয়াবা সময়ে যদি হৰুৱায়, ভাগ্যই টানি লৈ যায় আৰু কেতিয়াবা ভাগ্যই লগ নিদিলে সময়বোৰৰ লগত যুঁজিবলৈ শিকি আহিছে তাই।জটিল জীৱনৰ পাকচক্ৰই প্ৰহেলিকাক কেতিয়াবাই আঁতি আঁতি বান্ধি পেলাইছে।

কথাবোৰ বহু বছৰৰ পুৰণি।আচলতে পুৰণিক বাদ দি নতুনক আদৰাতো কোনো প্ৰকাৰে সম্ভৱ নহয়। প্ৰহেলিকাও ইয়াৰ ব্যতিক্ৰম নহয় ।তাইৰ জীৱনৰ প্ৰতিটো খোজতে তাইৰ পিতাইৰ স্মৃতিবোৰ জড়িত আছে, যিবোৰ তাই আজিও কঢ়িয়াই ফুৰিছে প্ৰতিটো মুহূৰ্তত। তাইৰ বাবে যেন সেয়া সংগী সাহসৰ।কথাবোৰ ভাবিলে বুকুখন ক'ৰবাত আজিও মূচড় খাই উঠে তাইৰ, অবাধ্য চকুলোবোৰ তাই গম নোপোৱাকৈয়ে দুচকুৰপৰা নিগৰে। কিন্তু সাহসী হৈ, চকুপানীবোৰে তাইক ভাগিব নোৱাৰাকৈ তাই থিয় হৈ উঠিছে এতিয়া - একমাত্ৰ তাইৰ পিতাইৰ বাবে ।

: মাজনী, তোৰ কিবা প্ৰয়োজন হৈছে নেকি ? কিবা লাগে যদি ক', আজি আনি দিম বজাৰত বাৰীৰ এই নাৰিকলকেইটা বেছি ।

:নাই দেউতা । কেইপদমান বস্তু লাগিছিল বাৰু! কিন্তু সেয়া নোহোৱাকৈয়ে বৰ্তমান চলিব পাৰিম। পাচত বেছি প্ৰয়োজন হ'লে তোমাক জনাম বাৰু।

প্ৰহেলিকাই দেখিছে কেনেকৈ তাইৰ পিতায়ে এইকেইদিন চেগেল নোহোৱাকেয়ে কাম কৰি ফুৰিছে, পুৰণি জোতাযোৰত আঠা অকণ লগাই ঠিক কৰি লৈছে। যোৱাৰাতি মাকৰ লগত তাইৰ বিষয়ে আলোচনা কৰাও শুনিছে তাই – “দেখিছনে বাৰু, ছোৱালীজনী কেইমাহমান ঘৰৰপৰা আঁতৰত থাকিয়ে কেনেকৈ শুকাই-খীনাই আহিছে ? এইকেইদিন তাইৰ ভালকৈ যত্ন ল'বি বুজিছ ! কাম-চাম কৰি কষ্ট পাবলৈ নিদিবি তাইক ।”উস্! কিমান যে হেঁপাহ পিতাইৰ তাইৰ প্ৰতি। তাইক লৈ গৌৰৱতে বুকুখন উফন্দি উঠে পিতাইৰ । মানুহৰ আগত গৰ্ব কৰিও কয় তাইৰ কথা ।তাই মনৰ মাজতে হাঁহে পিতাইৰ কাণ্ডবোৰ দেখি।তাই হোষ্টেলৰ পৰা ঘৰলৈ আহিব বুলি খবৰ পালেই পিতাইৰ বুকুখন থৌকি-বাথৌ হয় ।কিমান হেঁপাহ আলাসৰ জীয়ৰীজনীক বহুদিনৰ মূৰত চাবলৈ। বহুদিনৰপৰাই তাই খাই ভালপোৱা বস্তুবোৰ ইপদ-সিপদকৈ ঘৰত গোটাইহি । কিন্তু তাইৰ অজলা পিতায়ে ভাবিয়ে নাচায় যে তাই আহি পোৱালৈ বস্তুবোৰ ঘৰৰ চুকতে গেলিব । মনে মনে খুব হাঁহি উঠে তাইৰ পিতাইৰ কামবোৰ দেখি।কিন্তু সেই হাঁহিটোৰ মাজত যেন এটি বিষাদে তাইৰ বুকুত খুন্দা মাৰি ধৰে। পাৰিবনে বাৰু তাই আজীৱন পিতাইৰ হাঁহিটিক ধৰি ৰাখিব? হোষ্টেলীয়া জীৱনটোৰ অৱসাদ, দুখ সকলোবোৰ যেন পলকতে নোহোৱা হৈ যায় তাইৰ পিতাইৰ তামবৰণীয়া মুখখন দেখি। দুখবোৰৰ মাজতো হাঁহিটো কঢ়িয়াই লৈ ফুৰিবলৈ, ভাগি নপৰাকৈ নিজক জীয়াই তুলিবলৈ তাইতো পিতাইৰ পৰাই শিকিছে।

: মাজনী, তোক ইমানকৈ কওঁ যে কিবা এটা অসুখ হ'লে মোক জনাবি। কিয় কথাবোৰ খুলি নকৰ অ' মোক! আছোঁ নহয় তোৰ পিতাইটো তোৰ লগত, নিজে নাখায় হ'লেও তোৰ যত্ন ল'ম।

উস্ !বুকুৰ একোণত যেন হাতুৰী এটাইহে কোবাইছে তাইক। কোনোমতে ডিঙি চেপি ওলাই আহিব খোজা কান্দোনটোক বাধা দি চেপা মাতেৰে কৈ উঠে তাই -

: মই ভালে আছোঁ নহয় পিতাই, অলপমান গাটো বেয়া হৈছে আৰু মোৰ। কাইলৈয়ে ভাল হ'ম নহয়, তুমি ইমান চিন্তা নকৰিবাচোন।

:নাই, মই আজিয়ে তোৰ ওচৰলৈ গৈ আছোঁ। তই সোনকালে ঠিক হ'বি দে ।

প্ৰহেলিকাই একো কথা কোৱাৰে সুযোগ নাপায় তাৰপাছত। তাই জানে, তাইৰ কিবা এটা সাধাৰণ অসুখ হোৱা বুলি জানিলেও তাইৰ পিতায়ে এখন্তেকো ৰ'ব নোৱাৰে। তাইতকৈও বেছি দুঃশ্চিন্তাত, কষ্টত উজাগৰী ৰাতি পাৰ কৰে তাইৰ পিতায়ে তাইৰ কথা ভাবি। পৰাপক্ষত সেয়ে তাই আজিকালি নিজৰ মাজতে কথাবোৰ ৰাখিব বিচাৰে। তাইৰ বাবেতো পিতায়ে দৈহিক কষ্ট প্ৰতিদিনে কৰিছে।মনৰ কষ্ট দিবলৈ তাই আৰু নিবিচাৰে। কেনেকৈ পোহৰ নৌহওঁতেই পুৱাতে ওলাই গৈ দিনটো সুৰুযৰ প্ৰকোপত কাম কৰি ৰাতিলৈ মাকৰ হাতত উপাৰ্জনৰ টকাকেইটা গুজি দিয়ে - তাই নিজ চকুৰে দেখিছে। হাঁহিটো মুখত থাকিলেই মানুহৰ দুখবোৰ, কষ্টবোৰে আত্মগোপন নকৰে।বৰঞ্চ হাঁহিয়ে মানুহৰ বিষাদ ডাঁৱৰবোৰৰ ওপৰত মিছা এক আভৰণ পিন্ধায়। পিতাইৰ কষ্টৰ কেঁচা তেজৰ ঘামবোৰত তাইক লৈ নতুন সপোন, নতুন আশাই ঘৰ সাজে।পিতাইৰ তিৰবিৰ চকুহালক তাই তিৰবিৰাই ৰাখিব লাগিব আজীৱন, দুওঁঠৰ হাঁহিটোক জীয়াই ৰাখিব লাগিব, শেঁতা পৰিবলৈ দিব নোৱাৰে কেতিয়াও। এয়া তাইৰ কাম্য ।

: খোৱা-লোৱা ভালকৈ কৰিছনে

*(বাৰপৃষ্ঠাত চাওক)*

# মৌমিতা দেৱনাথৰ ন্যায় প্ৰদানৰ দাবীত গুৱাহাটীৰ বিভিন্ন স্থানত এবিভিপিৰ প্ৰতিবাদ




ৰঙিলী বাৰ্ত্তাসেৱা- পশ্চিমবঙ্গৰ আৰ জি কৰ মেডিকেল কলেজৰ ছাত্ৰী মৌমিতা দেৱনাথৰ ধৰ্ষণৰ ঘটনাই সমগ্ৰ দেশতেই চাঞ্চল্যৰ সৃষ্টি কৰি থকাৰ সময়তেই অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ উদ্যোগত গুৱাহাটীৰ মহানগৰীৰ মালিগাঁও, আৰ্য নগৰ, ডাউন টাউন বিশ্ববিদ্যালয় সমীপত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ন কৰা হয়। বিশেষকৈ বাৰম্বাৰ পশ্চিমবঙ্গত হৈ থকা এনেবোৰ অপৰাধ মূলক কাৰ্যই প্ৰদেশ খনত নাৰী সুৰক্ষাৰ ফোঁপোলা স্বৰূপটো পুনৰ এবাৰ দেশবাসীৰ আগত দাঙি ধৰিলে। গুৱাহাটী মহানগৰীৰ এবিভিপিৰ কাৰ্যকৰ্তা সকলে মৌমিতা দেৱনাথৰ ন্যায় প্ৰদানৰ বাবে চৰকাৰৰ ওচৰত দাবী জনায় আৰু ভৱিষ্যতে যাতে এনেধৰণৰ ঘটনা পুনৰ বাৰ যাতে সংঘটিত নহয় তাৰ বাবে দাবী উত্থাপন কৰে। প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰি অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ ৰাজ্যিক সম্পাদকৰ হেৰম্ভ মহনে সমগ্ৰ ঘটনাটোক তীব্ৰভাৱে গৰিহণা দি দোষীক উচিত শাস্তি প্ৰদানৰ দাবী জনাই আৰু লগতে পশ্চিম বংগৰ চৰকাৰক তীব্ৰভাৱে সমালোচনা কৰে। লগতে তেওঁ এই ঘটনাৰ নৈতিক দায়িত্ব স্বীকাৰ কৰি মমতা বেনাৰ্জীক অতিশীঘ্ৰে পদত্যাগ কৰিবলৈ দাবী জনায়।

## চিকিৎসকৰ দেশজুৰি

হত্যাকাণ্ডক লৈ দেশজুৰি প্ৰতিবাদ সাব্যস্ত কৰি থকাৰ সময়তে পশ্চিমবংগ চৰকাৰে চিকিৎসক, অধ্যাপকসহ ৪২জনক বদলি কৰিছে। বদলি কৰা এই চিকিৎসকৰ ভিতৰত কলকাতাৰ আৰ জি কৰ মেডিকেল কলেজৰ পৰাও দুজনক বদলি কৰা হৈছে। ৰাজ্য চৰকাৰৰ এই চিকিৎসক বদলিকৰণ প্ৰক্ৰিয়া তীব্ৰ বিতৰ্কৰ মাজত সোমাই পৰিছে। বিজেপিয়ে ৰাজ্য চৰকাৰৰ এই বদলিকৰণক গৰিহণা জনাইছে। মমতা বেনাৰ্জী নেতৃত্বাধীন চৰকাৰখনে জ্যেষ্ঠ চিকিৎসক সমুদায়ক শংকিত কৰিবলৈ এনে পদক্ষেপ লৈছে বুলি সমালোচনা কৰিছে। ইউনাইটেড ডক্টৰ্ছ ফ্ৰন্ট এছ'চিয়েচনে মমতা বেনাৰ্জীৰ এই কাৰ্যক তীব্ৰ ভাষাৰে গৰিহণা জনাইছে। প্ৰতিবাদী চিকিৎসকসকলক সমৰ্থন জনোৱাৰ বাবে এই বদলিকৰণৰ ব্যৱস্থা গ্ৰহণ কৰা বুলি অভিযোগ কৰিছে সংগঠনটোৱে। উল্লেখ্য যে আৰ জি কৰ মেডিকেল কলেজ এণ্ড হাস্পতালত যোৱা ৯ আগষ্টত কৰ্মৰত প্ৰশিক্ষাৰ্থী মহিলা চিকিৎসক এগৰাকীৰ অৰ্ধনগ্ন মৃতদেহ উদ্ধাৰ হৈছিল। এই ঘটনাই সম্প্ৰতি দেশজুৰি তীব্ৰ প্ৰতিবাদৰ জোৱাৰ তুলিছে।

## মঙলদৈ বেজপাৰাত দুৰ্ঘটনাত

হাচান নামৰ মঙলদৈ ২নং ৱাৰ্ডৰ যুৱকজনে বাহন খন ভাড়াত দিছিল কৰিমচ'কৰ ফাৰুক নামৰ আন এক যুৱকক। কিন্তু ফাৰুকে ৪০ হাজাৰ টকাৰ বিনিময়ত বাহন খন নগৰবাহীৰ এক চালকক দিছিল। অভিযোগ অনুসৰি, সুতত ধন লোৱাৰ বাবেই বাহন খন মৰ্টগেজ হিচাবে নগৰবাহীৰ চালকক গতাই দিছিল। ইপিনে মঙলদৈত চিকিৎসাধীন মানস কলিতা আৰু লাচিত ডেকাক চিকিৎসালয়ৰ পৰা ঘৰলৈ যাব দিয়া হৈছে। কিন্তু এতিয়াও সংকটজনক হৈ জিএমচিত চিকিৎসাধীন হৈ আছে বেজপাৰাৰ সম্ৰাট কলিতা। চিকিৎসকে সম্ৰাটৰ পেট, ককালত আঘাতপোৱা আৰু সম্প্ৰতি নিৰীক্ষণত ৰখা বুলি সদৰি কৰিছে। উল্লেখ্য যে, মঙলদৈ বেজপাৰাৰ ৪ জনকৈ দৰিদ্ৰ পৰিয়ালৰ ছাত্ৰৰ উন্নত চিকিৎসাৰ বাবে সামাজিক মাধ্যমযোগে বৰঙণি সংগ্ৰহ অভিযান আৰম্ভ কৰে একাংশ মানৱদৰদী নেটিজেনে। ইতিমধ্যে, সংগৃহীত ধন প্ৰদান কৰাৰ পূৰ্বে গকুল বেজবৰুৱাই ইহ-সংসাৰ সামৰি বিদায় লয় যদিও সম্ৰাট কলিতা সহ লাচিত ডেকা আৰু মানস কলিতাক সংগৃহীত ধন প্ৰদান আৰু গকুলৰ আদ্য শ্ৰাদ্ধৰ বাবে আগবঢ়োৱাৰ বিষয়ে প্ৰকাশ পাইছে। সুদূৰ দিল্লীত কৰ্মৰত মঙলদৈৰ যুৱকৰ পৰা হৃদয়বানলৈ একাংশলোকে আগবঢ়োৱা বৰঙণিৰে দৰিদ্ৰ পৰিয়াল চাৰিটাক সকাহ দিব চেষ্টা কৰা বুলি উদ্যোক্তা সকলে অৱগত কৰিছে।

## 'জনসেৱা সঁচা মানুহ বিচাৰি'ৰ

প্ৰাংগনত উদ্‌গণিমূলক অভিনন্দন অনুষ্ঠানত এই মন্তব্য কৰে অধ্যাপক ড° কনক চন্দ্ৰ চহৰীয়াই। তেওঁ সভাত পুনৰ কয়- ছাত্ৰ ছাত্ৰীসকল ভৱিষ্যতৰ সম্পদ। ৭৫ শতাংশ কম পোৱা ছাত্ৰ ছাত্ৰীসকলো আমাৰ সম্পদ বুলি ভাবিব লাগিব। সভাপতি কুমুদ শৰ্মাই আঁত ধৰা সভাত পোৰৌহিত্য কৰে পূব কামৰূপ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ড° কমল শৰ্মাই। সম্পাদক নুৰুল হক আহমেদে উদ্দেশ্য ব্যাখ্যা কৰা সভাত আদৰণি ভাষণ দিয়ে প্ৰধান শিক্ষক দ্বীপেন শৰ্মাই। সভাত সমাজকৰ্মী উমেশ চন্দ্ৰ ভাগৱতী, লংকেশ্বৰ ডেকা, অখিল শৰ্মা, ৰঞ্জন বড়ো আদি ভাষণ দি ছাত্ৰ ছাত্ৰীক উৎসাহিত কৰে। সভাত আৰ্য বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন শিক্ষয়িত্ৰী নিৰদা দেৱী, প্ৰাক্তন বেংক বিষয়া শুক্লেশ্বৰ কলিতা, সমাজকৰ্মী বাণীকান্ত শৰ্মা, অধিবক্তা আকবৰ আলী আহমেদ, সমাজকৰ্মী দয়াৰাম ভৰালী, নৱজাগৰণ সংঘৰ সম্পাদক প্ৰদীপ কলিতা, কবি, লেখক অনিল ডেকা, আব্দুল হামিদ খান, মতিউৰ ৰহমান, আব্দুৰ ৰহিম আহমেদ আদি কেবা জনো ব্যক্তি উপস্থিত থাকে। সভাপতি কুমুদ শৰ্মা আৰু সম্পাদক নুৰুল হক আহমেদে আঁত ধৰা অভিনন্দন অনুষ্ঠানত ফটাশিল- গড়চুক অঞ্চলৰ পৰা ৭৫ শতাংশ বা ততোধিক নম্বৰ পাই উত্তীৰ্ণ হোৱা ছেবা, চি বি এছ ইৰ প্ৰায় ৯০ জন ছাত্ৰ ছাত্ৰীক মানপত্ৰ, কিতাপ, কলমেৰে অভিনন্দন জনোৱা হয়।সভাত বৈশালী কাশ্যপ, কৰিণা বৰ্মনে গীত আৰু গকুল বৰুৱাই কবিতা আবৃত্তি কৰি উপস্থিত ৰাইজক আমোদ দিয়ে। সদস্য জ্যোতিষ ঠাকুৰীয়াৰ শলাগৰ শৰাইৰে সভা সামৰণি মৰা হয়।

## অসমৰ প্ৰখ্যাত এৰী

এই প্ৰামাণ্যতা লাভ কৰাৰ ফলত আন্তঃৰাষ্ট্ৰীয় ৰপ্তানি বজাৰত প্ৰৱেশ আৰু প্ৰসাৰতা বৃদ্ধিত উক্ত প্ৰমাণ-পত্ৰ সহায়ক হ'ব বুলি আশা কৰা হৈছে। এৰী সূতাই লাভ কৰা এই সফলতা অসমৰ বাবে গৌৰৱৰ মুহূৰ্ত বুলি সামাজিক মাধ্যম বুলি সদৰী কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। তেওঁ কয় যে সুৰক্ষিত বৈশিষ্ট্যৰ বাবে অসমৰ এৰী সূতাই এই সন্মানীয় অ'ইকো টেক্স প্ৰামাণ্যতা লাভ কৰিছে। এই স্বীকৃতিয়ে তাঁতশালৰ পৰা বস্ত্ৰ নিৰ্মাণ হোৱালৈকে প্ৰকৃততে উক্ত বস্ত্ৰ যে সুৰক্ষিত, সেয়া প্ৰমাণিত কৰে। অসমৰ এৰী সূতালৈ আগবঢ়োৱা এই স্বীকৃতিৰ পিছত কেন্দ্ৰীয় ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই নিজৰ সামাজিক মাধ্যমযোগে উত্তৰ-পূৰ্বাঞ্চল হস্ততাঁত আৰু বস্ত্ৰ উন্নয়ন নিগম, চমুকৈ এন ই এইচ এইচ ডি চিৰ দলটোলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। উত্তৰ-পূৰ্বাঞ্চলৰ বস্ত্ৰ উদ্যোগৰ বাবে এক উদযাপনৰ সময় বুলি মন্তব্য কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে অসমৰ চহকী ঐতিহ্যৰ ক্ষেত্ৰত এয়া এক বৃহৎ বিজয় বুলি কয়।

## চেলুট তিৰংগা অসম

সন্মানীয় বিষয়ববীয়া সমূহ, অসম ৰাজ্যিক সমিতিত প্ৰতিনিধিত্ব কৰা সন্মানীয় বিষয়ববীয়া ও কাৰ্যকৰী সদস্য /সদস্যা, যুৱ আৰু মহিলা মৰ্চাৰ সমূহ সন্মানীয় বিষয়ববীয়া আৰু বিভিন্ন কোষৰ দায়িত্বত থকা বিষয়ববীয়া তথা সকলো স্তৰৰ সন্মানীয় কাৰ্যকৰ্তা সকলক উপস্থিত থাকে। ৰাজ্যিক সমিতিয়ে উদযাপন কৰা এই কাৰ্যসূচীৰ উপৰিও অসমৰ ২৩ খন জিলাতো চেলুট তিৰঙ্গাৰ জিলা সমিতি সমূহৰ উদ্যোগত বিভিন্ন কাৰ্য্যসূচী যেনে বাইক ৰেলী, অনাথ শিশুক ফল মূল আৰু মিঠাই বিতৰণ, বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীৰ মাজত জাতীয় পতাকা বিতৰণ আৰু বিভিন্ন দেশৰ অখণ্ডতাৰ ওপৰত বক্তৃতা অনুষ্ঠান আয়োজন কৰে।

## অখিল গগৈৰ সংবাদ মেল

উল্লেখ কৰি তেও আৰু কয় যদি সাংবাদিকে বিচাৰে তেওঁৰ তথা পৰিয়ালৰ নামত যিমান সম্পত্তি আছে সকলো বোৰৰ নথি তেওঁ সাংবাদিকক দিব। মুখ্যমন্ত্ৰী হোৱাৰ পিছত যে তেওঁৰ তথা তেওঁৰ পৰিয়ালৰ পাহাৰ সদৃশ সম্পত্তি ১০০ গুণ বাঢ়িল এইবোৰ তেওঁ আৰ টি আই কৰি সকলোবোৰ নথি মজুত কৰি থোৱা আছে বুলি দাবী কৰে। তেওঁ মুখ্যমন্ত্ৰীক প্ৰশ্ন কৰে, ৰিনিকী ভূঞাৰ নামত যে ইমান সম্পত্তি, তেওঁৰ আয়ৰ উৎস কি? তেওঁৰ দেউতাক কিমান ডাঙৰ উদ্যোগ পতি আছিল বুলিও তেওঁ প্ৰশ্ন কৰে। শেষত তেওঁক জোকাই নলৰলৈ মুখ্যমন্ত্ৰীক সঁকিয়াই দিয়ে।

## ২১ আগষ্টৰ পৰা

আৰু সিদ্ধান্ত সাগৰে। নাট্যদলটোৱে মঞ্চস্থ কৰিব লগা অন্য দুখন নাটক হৈছে নাট্যকাৰ প্ৰণৱ বৰুৱাৰ 'চিলনী' । এই নাটখনৰ আৱহ সংগীত পৰিচালনা কৰিছে অহিৰ ভৈৰৱে লগতে হেণ্ডুল থিয়েটাৰৰ বাবে এইবেলি বিশিষ্ট নাট্যকাৰ প্ৰণৱ ভৰালীয়ে ৰচনা কৰিছে 'মছজিদ ৰোড নামঘৰ পথ' নামেৰে এখন ব্যতিক্ৰমী নাটক । নাট্যদলটোৰ অভিনয়ৰ দিশত আছে- জনপ্ৰিয় অভিনেতা কমললোচন, মহেশ বৰা, নিৰুপম শইকীয়া, হিমাংশু গগৈ, দেৱজিত বৰা, অলকেশ হাজৰিকা, গৌতম ৰাজ, জয়ন্ত বৰ্মন, ধ্ৰুৱজ্যোতি ঢেকিয়াল ফুকন, ৰঞ্জিত বৰ্মন, অভিনেত্ৰী স্নিগ্ধা গগৈ, অশ্ৰুমণি বৰা, শিল্পীশিখা বৰা, হেলেনা আখটাৰৰ লগতে এদল মঞ্চাভিজ্ঞ অভিনয় শিল্পী। নাট্যদলটোৰ সম্পাদকৰ দায়িত্বত আছে পল্লৱ চুতীয়া । অহা ২১ আগষ্টত 'চিলনী' নাটখনেৰে মৰিয়নীৰ বাপুজি ষ্টেডিয়ামত নাট্যদলটোৱে চলিত বৰ্ষৰ নাট্যযাত্ৰাৰ পাতনি মেলিব বুলিও জানিবলৈ দিয়ে পৰিকল্পক পংকজ হাজৰিকাই।

## ENGLISH NEWS SECTION

# Assam Governor Shri Acharya pays tributes to former Prime Minister Late Atal Bihari Vajpayee



Guwahati, RB News: Assam Governor Shri Lakshman Prasad Acharya paid floral tributes to the portrait of former Prime Minister Bharat Ratna Late Atal Bihari Vajpayee on his death anniversary at Raj Bhavan. It may be noted that Late Atal Bihari Vajpayee who served as the prime minister of the country for three terms, died on 16, August, 2018. Speaking on his punya tithi observed at Raj Bhavan Governor Shri Acharya said that Vajpayee was a distinguished statesman, poet, and visionary leader who profoundly influenced the country's political landscape. Paying his rich tributes to the former prime minister, Shri Acharya spoke on some of the significant milestones like Pokhran-II Nuclear Tests, Golden Quadrilateral Project and Economic Liberalization achieved while Late Vajpayee was at the helm. The Governor also said, "Vajpayee ji's life and achievements serve as a guiding light to the present and future generations, which reminds us of his enduring impact on the nation." Two minutes silence was also observed to pay homage to the former Prime Minister. Commissioner and Secretary to the Governor S S. Meenakshi Sundaram, officers and staff of Raj Bhavan were also present on the occasion.

# ASDMA GSI inks MoU for Landslide Early Warning System (LEWS)

Guwahati, RB News:In a significant step towards combating the menace of landslides in Assam, a Memorandum of Understanding (MoU) on Implementation of Experimental Regional Landslide Early Warning System (LEWS) was signed between Assam State Disaster Management Authority (ASDMA) and the Geological Survey of India (GSI), GoI at Dispur. The MoU was signed for by Gyanendra Dev Tripathi, IAS, chief Executive Officer, ASDMA and Siladitya Sengupta, Deputy Director General, SU:Assam, GSI. The problem of landslides sometimes goes unnoticed or individual landslides are being dealt with ad-hoc response mechanisms and the problem keeps on recurring every year. In addition to lives lost, large numbers of houses along with infrastructures borne the brunt of the landslides in the hilly terrains of Dima Hasao, Karbi Anglong, Cachar, Karimganj, and Kamrup (M) districts in Assam. During recent times, one of the major thrust areas in landslide risk reduction is the development of a regional Landslide Early Warning System (LEWS) for a large area with inputs from static landslide susceptibility and hazard



maps; dynamic short and long-term rainfall forecasts, etc. In this context, this MoU is being signed between ASDMA and GSI with the objective of institutional cooperation and implementation of an experimental Regional Early Warning Forecast system for making an operational model on landslides for Dima Hasao and Cachar districts of Assam. It would be encompass all over the State in future.

# Governor Shri Acharya hoists National Flag on 78th Independence day



Guwahati, RB News: As a mark of celebrations of the 78th Independence Day of the nation, Assam Governor Shri Lakshman Prasad Acharya hoisted the national flag at Raj Bhavan Assam. The Governor on the occasion distributed prizes for the art competition which was organised by Raj Bhavan in association with the Gauhati Artists Guild showcasing different facets of independence. The Governor also flagged off a Har Ghar Tiranga Bike rally organised by Raj Bhavan in association with the Gauhati University, NSS cell from Raj Bhavan. As a part of the independence day celebration Shri Acharya also attended the prize distribution ceremony for a series of competitions namely drawing, extempore speech, and face painting—held at Gauhati Commerce College which was organized by the Raj Bhavan Assam in association with The Bharat Scouts and Guides Guwahati to commemorate 78th Independence Day of the nation.

# Morne Morkel appointed Team India bowling coach



RB News: Former South Africa fast bowler Morne Morkel has been appointed Team India bowling coach. The signing was formally confirmed by BCCI Secretary Jay Shah on Wednesday. Morkel was Pakistan's bowling coach until last December. His name was recommended by Team India head coach Gautam Gambhir, who worked with him for two seasons (2022 and 2023) at LSG in IPL.

# পিতাইলৈ চিঠি

মাজনী ? বৰ বেছি চিন্তা কৰি নাথাকিবি দে। ৰাতি টোপনি ক্ষতি বেছিকৈ নকৰিবি । আমি সৰু মানুহ, ইমান ডাঙৰ ডাঙৰ সাফল্য আমাক নালাগে দে' আই।

পিতাইৰ বুকুৰ এই কথাবোৰত তাই পঢ়ি পেলায় পিতাইৰ হৃদয়খনক। পিতাইৰ বাবে সাফল্যই জীৱনৰ শেষ কথা নহয়, তাই স্বাস্থ্যৰ সকলো দিশে ভালে থাকিব লাগিব সদায়। কিমান সপোন, কিমান হেঁপাহ কঢ়িয়াই তাইৰ বাবে তেজবোৰ পানী কৰিছে পিতায়ে তাই ভালকৈ জানে । বয়সৰ আচোঁৰে তেওঁক কেতিয়াও হাৰ মনাব পৰা নাই।

এৰা ! কথাবোৰ মনত পৰিলে বুকুখন আজিও বিষায় উঠে তাইৰ। পিতাইৰ অবিহনে তাই জীৱনটোৰ কথা কেতিয়াও কল্পনা কৰা নাছিল । আচলতে মানুহে কল্পনা নকৰাকৈ থকা কথাবোৰকে এদিন বুকুত বান্ধি খোজ দিবলগীয়া হয়। সময়ে স্মৃতিবোৰ কঢ়িয়ায় । অতীতৰ কষ্টবোৰক চেৰ পেলাই বৰ্তমান কেতিয়াও বৰ্তি থাকিব নোৱাৰে। চকুলোবোৰ মোহাৰি ডায়েৰীখন জপাই দিলে তাই। তাইৰ চকুৰ সন্মুখত পিতাইৰ সেই হাঁহিমুখীয়া মুখখন পুনৰ এবাৰ জিলিকি উঠিল। পিতাইৰ চকুহাললৈ চাই তাইও এবাৰ খিলখিলাই হাঁহি দিলে। এই হাঁহি প্ৰশান্তিৰ এক নিৰ্মল হাঁহি। এই হাঁহিয়ে তাইৰ পিতাইলৈ পঠাব - তাই আজি সুখত আছে। পিতাইৰ হেঁপাহবোৰ, আশাবোৰক তাই জীয়াই তুলিছে । পিতাইৰ হাঁহিটোৰ বাবেই তাই জীয়াই আছে, যিদৰে জীয়াই আছিল তাইৰ পিতাই।

“পিতাই, তোমাৰ কষ্টবোৰে কেতিয়াবাই সাফল্যৰ আকাশ চুলে জানা ! তোমাৰ হেঁপাহবোৰক জীয়াই তুলিবলৈকে মই আছোঁ পিতাই। তুমি মোক লৈ চিন্তা কৰি নাথাকিবা দেই। মই বহুত সুখত আছোঁ, সদায় হাঁহি আছোঁ তোমাৰ বাবে। পিতাই, পাৰিলে মোক ক্ষমা কৰি দিবা। তোমাৰ মাজনীয়ে তোমাৰ আটাইতকৈ সুখৰ খবৰটো তোমাক উপহাৰ দিব নাপালে- যিটো খবৰৰ বাবেই তুমি আজীৱন নিজৰ সকলোবোৰ ত্যাগ কৰি গ'লা। মই জানো, তুমি এতিয়াও সুখী মোক লৈ; নহয়নে পিতাই? তুমি য'তেই আছা সদায় মোক তাৰপৰাই আশীৰ্বাদ কৰি যাবা দেই পিতাই। মই বৰ সুখত আছোঁ পিতাই। মই সদায় হাঁহি আছোঁ।।”

আধালেখাকৈ চিঠিখন সামৰি থ'লে প্ৰহেলিকাই। দুচকুৰপৰা নিগৰা চকুৰ লোটকবোৰক তাই আজি বাধা দি ৰাখিব পৰা নাই। বহুদিনৰ মূৰত আজি বৰকৈ আমনি কৰিছে তাইৰ পিতাইৰ স্মৃতিবোৰে । 'নাকান্দিবি আই, এনেকৈ দুখ কৰি থাকিলে জীৱন জানো চলে ! তই কান্দিলে ময়ো কিন্তু বৰ কষ্ট পাম।' কাৰোবাৰ কোমল আঙুলিৰ পৰশে তাইৰ মূৰত আলফুলে হাত বোলোৱা যেন অনুভৱ হ'ল তাইৰ। প্ৰশান্তিৰ এজাকি চেঁচা বতাহে তাইৰ চকুলোবোৰো ধুই নিলে।






ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286